হোমেন বৰগোহাঞিদেৱলৈ
'কাজিৰঙা লাইভ' পৰিয়ালৰ

# শ্ৰদ্ধাঞ্জলি



## মহীৰুহ,
## অক্ষয় বন্তি হৈ জ্বলি থাকিব
## যুগান্তৰলৈ

সম্পাদক
পলিমা বি. চেতিয়া

# হোমেন বৰগোহাঞিদেৱলৈ

## ‘কাজিৰঙা লাইভ পৰিয়াল’ৰ

# শ্ৰদ্ধাঞ্জলি



**মহীৰূহ,**
**অক্ষয় বন্তি হৈ জ্বলি থাকিব**
**যুগান্তৰলৈ ...**

---

সম্পাদক - পলিমা বি. চেতিয়া

“কাজিৰঙা লাইভ”ৰ পৰা প্ৰকাশিত

**মহীৰূহ, অক্ষয় বন্তি হৈ জ্বলি থাকিব যুগান্তৰলৈ ...**

---

সম্পাদক ঃ পলিমা বি. চেতিয়া

প্ৰকাশ কাল ঃ জুন’, ২০২১

প্ৰকাশক ঃ ‘কাজিৰঙা লাইভ’ৰ হৈ
ৰাধাকৃষ্ণ প্ৰকাশন, গোলাঘাট, অসম

সামগ্ৰিক পৰিকল্পনা ঃ বিতোপন বৰা

মূল্য ঃ ৫০ টকা

মুদ্ৰণ ঃ চাইবাৰ অফচেট, বোকাখাত

# সম্পাদকীয়

এটা যুগৰ অৱসান ঘটিল। এহেজাৰ বছৰীয়া অসমীয়া সাহিত্যৰ, আটাইতকৈ শক্তিশালী আৰু জনপ্ৰিয় লেখক তথা অসমীয়া সমাজ জীৱনৰ অন্যতম কিংবদন্তীস্বৰূপ হোমেন বৰগোহাঞিদেৱে ১২ মে’ ২০২১ ৰ দিনা পুৱা ৬.৫৮ বজাত ৮৯ বছৰ বয়সত গুৱাহাটীৰ জিএনআৰচি হস্পিতালত শেষ নিশ্বাস ত্যাগ কৰে। আমাৰ ভাৱজগত, বোধজগত আচ্ছন্ন কৰি ৰখা অসমৰ বৌদ্ধিক জগতৰ বটবৃক্ষজোপা নৱগ্ৰহৰ আকাশত ছাঁই আৰু ধোঁৱাৰ মাজত মিলি গ’ল। সহস্ৰজনৰ আনন্দ আৰু বেদনা, প্ৰেম আৰু কাৰুণ্য, বিশ্বাস আৰু সংশয়ক শাণিত কৰি জীৱনক অন্য এক উচ্চতালৈ লৈ যোৱা গধুলিগোপাল ভালপোৱা মানুহজন গুচি গ’ল হাজাৰ সুগন্ধি বিলায়। বৰগোহাঞিদেৱৰ মহাপ্ৰয়াণৰ বতৰাত শোক সাগৰত ডুব গৈছে অসমৰ সাহিত্য জগত।

অসমীয়া সাহিত্যক নিজৰ অমূল্য অৱদানেৰে চহকী কৰি থৈ যোৱা একাধাৰে কবি, লেখক, ঔপন্যাসিক, গল্পকাৰ, প্ৰৱন্ধকাৰ, সমালোচক তথা সাংবাদিক জনৰ জন্ম হৈছিল লখিমপুৰ জিলাৰ ঢকুৱাখনাত ১৯৩২ চনৰ ৭ ডিচেম্বৰত। প্ৰখৰ মেধাসম্পন্ন হোমেন বৰগোহাঞিয়ে লখিমপুৰতে স্কুলীয়া শিক্ষা আৰম্ভ কৰি পৰৱৰ্তী সময়ত ডিব্ৰুগড়ৰ চৰকাৰী বালক উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা প্ৰৱেশিকা পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ কটন কলেজত নামভৰ্তি কৰে। কটন কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰাৰ পিছতে অসম অসামৰিক সেৱাৰ পৰীক্ষাত উত্তীৰ্ণ হৈ এগৰাকী চৰকাৰী বিষয়া হিচাপে চাকৰি জীৱন আৰম্ভ কৰে যদিও পিছলৈ চাকৰি ত্যাগ কৰি সাংবাদিকতাৰ জীৱন আৰম্ভ কৰে হোমেন বৰগোহাঞিয়ে। ১৯৫৮ চনত প্ৰখ্যাত অসমীয়া লেখিকা নিৰুপমা বৰগোহাঞিৰ সৈতে হোমেন বৰগোহাঞিয়ে বিবাহপাশত আৱদ্ধ হয়। বৰগোহাঞি দুটি পুত্ৰ সন্তানৰ পিতৃ আৰু ১৯৭৭ চনত তেওঁ নিৰুপমা বৰগোহাঞিৰ পৰা পৃথক হয়।

সৰুৰে পৰা সাহিত্য চৰ্চাৰ প্ৰতি অনুৰক্ত হোমেন বৰগোহাঞিয়ে কটন কলেজত অধ্যয়ণৰত অৱস্থাতে এগৰাকী লেখক হিচাপে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছিল। গল্প-কবিতাৰে জনপ্ৰিয়তা লাভ কৰা হোমেন বৰগোহাঞিয়ে পিছলৈ নিৱন্ধ, জীৱনমূলক ৰচনা, উপন্যাসৰ সমান্তৰালভাৱে অসমীয়া সাহিত্যৰ সমালোচনাও লিখিবলৈ আৰম্ভ কৰে। “ইছমাইল শেখৰ সন্ধানত, হাতী, গৰখীয়া আদি গল্পৰ স্ৰষ্টা হোমেন বৰগোহাঞিৰ প্ৰথমখন উপন্যাস হ’ল ‘সুবালা’। ইয়াৰ পিছতে সাউদৰ পুতেকে নাও মেলি যায়, হালধীয়া চৰাইয়ে বাওধান খায়, অস্তৰাগ, পিতাপুত্ৰ, তিমিৰ তীৰ্থ, কুশীলৱ, মৎস্যগন্ধা, তান্ত্ৰিক, এদিনৰ ডায়েৰী, বিষণ্ণতা, নিসংগতা আদিকে কৰি তেখেতৰ বহু উপন্যাস প্ৰকাশ পায়। ১৯৭৮ চনত “পিতাপুত্ৰ”ৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰে। ইয়াৰ উপৰিও বৰগোহাঞিয়ে

মেগৰৰ অসম সাহিত্য উপত্যকা বঁটা, নীলমণি ফুকন বঁটা, অসম চৰকাৰৰ শ্ৰীমন্ত শংকৰদেৱ বঁটা, মৎসেন্দ্ৰ বঁটা আদিকে ধৰি বিভিন্ন বঁটা আৰু সন্মান লাভ কৰিবলৈও সক্ষম হৈছিল।

বিভিন্ন বিষয়ৰ লগতে জীৱনৰ উৎকৰ্ষ সাধনমূলক ৰচনা সংকলনৰ ভিতৰত গদ্যৰ সাধনা, মানুহ হোৱাৰ গৌৰৱ, প্ৰজ্ঞাৰ সাধনা, উচ্চাকাংক্ষা, কথা-বাৰ্তা, পাঠকৰ টোকাবহী, আশীৰ দশকৰ দস্তাবেজ, বিচিত্ৰ অভিজ্ঞতা আৰু অনুভূতি, আধুনিক যুগৰ জন্ম কাহিনী, কিতাপ পঢ়াৰ আনন্দ, স্বৰ্গ আৰু নৰক, ৰহস্যময় বিষাদ আৰু যন্ত্ৰণা, ডাৰউইন, মই যেতিয়া ক্লান্ত হওঁ, আত্ম দিপো ভৱ, মোৰ টোকাবহীৰ পৰা আদিয়ে প্ৰধান। তেখেতৰ একমাত্ৰ কবিতা পুথিখন হ'ল "হৈমন্তী"। বৰগোহাঞিদেৱে মোৰ সাংবাদিক জীৱন, আত্মানুসন্ধান, মোৰ হৃদয় এখন যুদ্ধক্ষেত্ৰ, ধুমুহা আৰু ৰামধেনু (দুটা খণ্ডত) আদি আত্মজীৱনীমূলক গ্ৰন্থও লিখি থৈ যোৱাৰ সমান্তৰালভাৱে সোণাৰাম চুতীয়াঃ এজন অসাধাৰণ সাধাৰণ মানুহ, বিংশ শতাব্দীৰ সন্ধানত আদিৰ দৰে মূল্যৱান গ্ৰন্থ সম্পাদনাও কৰিছিল।

দুবাৰকৈ অসম সাহিত্য সভাৰ সভাপতি হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰা তেওঁৰ আশাশুধীয়া প্ৰচেষ্টাতে অসমীয়া বিশ্বকোষৰ সাতটাকৈ খণ্ড আৰু বিজ্ঞানকোষ প্ৰকাশ কৰি উলিওৱা হয়। সাপ্তাহিক নীলাচলত নিজৰ সাংবাদিকতাৰ জীৱন আৰম্ভ কৰা হোমেন বৰগোহাঞিয়ে বিগত সময়ছোৱাত সূত্ৰধাৰ, নাগৰিক, সাতসৰী আদি আলোচনী, অসম বাণী, আমাৰ অসম, অসমীয়া দৈনিক বাতৰি, নিয়মীয়া বাৰ্তাৰ আদি সাপ্তাহিক আৰু দৈনিক বাতৰি কাকতৰ সম্পাদক ও মুখ্য সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰি অসমীয়া সাংবাদিকতাৰ ক্ষেত্ৰতখনলৈ বহু অৱদান আগবঢ়াই থৈ গৈছে। "মই লিখিবৰ কাৰণে জীয়াই থাকোঁ আৰু জীয়াই থাকিবৰ বাবে লিখো" বুলি কোৱা হোমেন বৰগোহাঞিদেৱে মৃত্যুৰ সময়তো অসমৰ জনপ্ৰিয় দৈনিক বাতৰি কাকত নিয়মীয়া বাৰ্তাৰ মুখ্য সম্পাদক হিচাপে কৰ্মৰত আছিল। ইয়াৰোপৰি অসমৰ জনপ্ৰিয় নিউজ চেনেল নিউজ লাইভত পূৰ্বতে বৰগোহাঞিদেৱৰ "মুখামুখি" নামৰ এটি অনুষ্ঠান সম্প্ৰচাৰ হৈছিল আৰু মৃত্যুৰ সময়লৈকে একেটা চেনেলতে তেখেতৰ "কথা-বাৰ্তা" নামৰ এটি অনুষ্ঠান সম্প্ৰচাৰ হৈ আছিল।

কোনো ৰাজনৈতিক মতাদৰ্শৰ প্ৰতি অনুৰক্ত নোহোৱা বৰগোহাঞিদেৱে ২০১৫ চনত ভাৰতীয় সমাজত সৃষ্টি হোৱা সহনশীলতাৰ অভাৱৰ প্ৰতিবাদত সাহিত্য অকাডেমিৰ পুৰস্কাৰ ঘূৰাই দিছিল। কৰ্মক জীৱনৰ আদৰ্শ তথা মূলমন্ত্ৰ কৰি লোৱা বৰগোহাঞিদেৱে ৰিক্ত, অথৰ্ব মানুহৰ বাবে কৰুণাধাৰা ন্যাস প্ৰতিষ্ঠাৰে ৰাখি গ'ল এক গভীৰ সংবেদনশীলতাৰ দৃষ্টান্ত। জীৱনৰ প্ৰায় পাঁচটা দশক অসমীয়া সাহিত্য তথা সংবাদ জগতৰ সেৱাতে নিমগ্ন হৈ থাকি নমৰালৈকে জীয়াই থাকিব বিচৰা প্ৰজ্ঞাৰ সাধকজনে নিজে বিচৰাৰ দৰেই মৃত্যুলৈকে কৰি গ'ল অসমীয়া সমাজ জীৱনৰ বাবে কৰণীয়খিনি। হোমেন বৰগোহাঞি আজি মাথোঁ এটা নাম নহয়, এটা বৃহৎ অনুষ্ঠান। তেখেতৰ জন্মদিন অৰ্থাৎ ৭ ডিচেম্বৰৰ দিনটো "প্ৰজ্ঞাৰ

দিন’’ৰূপে পালন কৰা হয়। হোমেন বৰগোহাঞিৰ স্পষ্টবাদী ব্যক্তিত্বই সকলো শ্ৰেণীৰ লোককে আকৃষ্ট কৰিছিল। স্বাস্থ্যৰ প্ৰতি সদা সচেষ্ট চিৰতৰুণ হোমেন বৰগোহাঞিৰ লেখাত ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক, শৈক্ষিক, সাহিত্যিক, স্বাস্থ্যগত আদি সকলো বিষয়ৰে সোৱাদ পোৱা গৈছিল। সাত বছৰ বয়সতেই হাতত কলম তুলি লোৱা অসমীয়া সাহিত্যক চহকী কৰি থৈ যোৱা কথাশিল্পী গৰাকীৰ কলমত আছিল এক আমোঘ মোহিনী শক্তি। নিজৰ কলমৰ জৰিয়তে নিৰ্মাণ কৰিব বিচাৰিছিল এখন সু-শৃংখলিত সমাজ।

অসমীয়া জাতিক কিতাপ পঢ়িবলৈ শিকোৱাৰ সমান্তৰালভাৱে ব্ৰাৰ্ট্ৰাণ্ড ৰাছেল মুছেট-বৰ্হেছৰ সাহিত্যলৈকে চিনাকি কৰি দিয়া বিশ্বমুখী দৃষ্টিৰ হোমেন বৰগোহাঞিদেৱে বাপুকণ হেবাংৰ বন্ধুত্ব, পথত পিষ্ট ভেকুলীটো, কেঁচুকাই নামৰ গএগজন, চাৰিকড়িয়া নৈ, পাহাৰ-ভৈয়ামৰ লগতে নিজৰ ৰচনাত সামৰি ৰাখিছে অসমীয়া জাতিৰ জীৱন। এক ব্যতিক্ৰমী ব্যক্তিত্ব হোমেন বৰগোহাঞিৰ সাহিত্য সৃষ্টি নিত্য নতুন। ৰচনাশৈলী, শব্দ-সংযোজনা, বিষয়-বস্তুৰ উপস্থাপন সকলোতে পৃথক তেখেতৰ প্ৰতিখন গ্ৰন্থ। গতানুগতিকতাৰ বিপৰীতে ৰচিত তেখেতৰ সাহিত্যই সেয়েহে পাঠকক এক সুকীয়া আমেজ দিবলৈ সক্ষম হৈছিল।

সদায়ে জীৱনৰ সপক্ষে থকাৰ সমান্তৰালভাৱে তেখেত সাজু হৈ উঠিছিল মৃত্যুৰ বাবেও। এলবাৰ্ট আইনষ্টাইনৰ দৰে অন্তিম সংস্কাৰ বিচৰা মানুহজনে তেখেতে বিচৰাৰ দৰেই পালে এক নীৰৱ একাকী মৃত্যু।

নিজস্ব লেখন শৈলীৰে অগণন পাঠক আৰু অনুপ্ৰেৰণাৰে লেখক সৃষ্টি কৰা অসমৰ সৰ্বকালৰ অন্যতম শ্ৰেষ্ঠ সাহিত্যিক গৰাকীৰ মৃত্যু অসম আৰু অসমীয়াৰ বাবে অপূৰণীয় ক্ষতি। অসমৰ বৌদ্ধিক জগতৰ ভোটাতৰা, বৰেণ্য সাহিত্যিক শ্ৰদ্ধাৰ হোমেন বৰগোহাঞিৰ শূন্যতা সদায়েই সকলোৱে অনুধাৱন কৰিব।

আত্মানুসন্ধানৰ অবিৰত যাত্ৰা সামৰি তেওঁ কায়িকভাৱে আঁতৰি গ’ল আমাৰ মাজৰ পৰা। কিন্তু তেখেতৰ অনুভৱ এটি প্ৰাৰ্থনা হৈ চিৰকাল আমাৰ বুকুত বাজি থাকিব। একক, অনন্য সমকালীন ভাৰতৰ বিশিষ্ট চিন্তানায়ক জনে অসমীয়া জাতিলৈ আগবঢ়োৱা সমুদ্ৰসম অৱদানৰ বাবে প্ৰতিজন অসমীয়াই আজীৱন সোঁৱৰিব। সৰ্বকালৰ এজন শ্ৰেষ্ঠ অসমীয়া হে মহীৰূহ, অক্ষয় বন্তি হৈ জ্বলি থাকিব যুগান্তৰলৈ ...।

শেষত ‘কাজিৰঙা লাইভ’ৰ আন্তৰিক প্ৰচেষ্টাক সন্মান জনাই যিসকল সন্মানীয় ব্যক্তিয়ে এই গ্ৰন্থখনিৰ বাবে নিজৰ লেখা সমূহ দি আমাক কৃতজ্ঞ কৰিলে সেই সকলোকে আমাৰ পৰিয়ালৰ তৰফৰ পৰা অশেষ ধন্যবাদ জনালোঁ। সময় এতিয়া দুঃসময় - এই দুঃসময়ক অতিক্ৰম কৰি সকলো কুশলে থাকক ...

**পলিমা বি চেতিয়া**

**কাৰ্যবাহী সম্পাদক ‘কাজিৰঙা লাইভ’**

**Atul Bora**
**Minister**
Agriculture, Horticulture, Animal Husbandry & Veterinary, Border Protection & Development, Implementation of Assam Accord, Cooperation.

सत्यमेव जयते

GOVERNMENT OF ASSAM



প্ৰজ্ঞাৰ সাধক হোমেন বৰগোহাঞিৰ সোঁৱৰণত

---

"Death may be the greatest of all human blessings" — Socrates.

শব্দৰ অসামান্য যাদুকৰী শক্তি, অতুলনীয় গদ্যশৈলী, নিটোল উপস্থাপন আৰু অদম্য আপোচহীন সাংবাদিকতাৰে অসংখ্যজনক দশকৰ পাছত দশক জুৰি মোহাবিষ্ট কৰি ৰখা প্ৰথিতযশা কথাশিল্পী, লব্ধপ্ৰতিষ্ঠ সাংবাদিক-সম্পাদক হোমেন বৰগোহাঞি আৰু আমাৰ মাজত নাই! এই চিৰন্তন বাস্তৱ সত্যটো এতিয়াও যেন আমি মানি ল'ব পৰা নাই। নিষ্ঠুৰ সময়ে তেওঁক আমাৰ মাজৰ পৰা কায়িকভাৱে আঁতৰাই নিলেও প্ৰতিগৰাকী অসমীয়াৰ মন মগজুত তেওঁৰ চিন্তা-চেতনা, আদৰ্শ-দৰ্শন প্ৰতিফলন

Block - C, Ground Floor, Assam Sachivalaya, Dispur, Guwahati - 781006, Tel. : 0361-2237008 (O)

**Atul Bora**
**Minister**
Agriculture, Horticulture, Animal Husbandry & Veterinary, Border Protection & Development, Implementation of Assam Accord, Cooperation.

सत्यमेव जयते

**GOVERNMENT OF ASSAM**

প্ৰবাহিত হৈ আছে। নিতাঁন্ত অসময়ত ক'ৰবৈল গ'লে তেওঁৰ কলমৰ অনিৰুদ্ধ শক্তিয়ে বিগত কেবাদশক জুৰি অসমীয়া জাতিক প্ৰাণশক্তি দি আহিছিল। বা'ৰ লোৱাৰ্কতেও কেবাটাও প্ৰজন্মৰ বাবে হোমেন বৰগোহাঞি ভাৰতীয়া অঘোষিত অভিভাৱকৰ আসনত অধিষ্ঠিত হৈ থাকিছিল। তেওঁৰ অবৰ্তমানত সামগ্ৰীকভাৱে জাতিটোৰ তথা অসমীয়া ভাষা-সাহিত্যৰ ভঁৰালৰ কিমান ক্ষতি হ'ল সেয়া সঁচা অৰ্থত বৰ্ণনাতীত। কিন্তু কায়িকভাৱে আমাৰ মাজত নাথাকিলেও তেওঁৰ বিশাল সৃষ্টিৰাজিয়ে যুগে যুগে অসম আৰু অসমীয়াক সূৰ্যমুখী পথৰ সন্ধান দিব।

**Atul Bora**
**Minister**
Agriculture, Horticulture, Animal Husbandry & Veterinary, Border Protection & Development, Implementation of Assam Accord, Cooperation.

सत्यमेव जयते

GOVERNMENT OF ASSAM

তেওঁৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিলো। পুণ্যশ্লোক আওবাই ভগৱানৰ ওচৰত আমিও প্ৰাৰ্থনা কৰিছো - সুদূৰ পৰা অমৃতৰ বুকুলৈ তেওঁৰ হৈ যোৱা........

ওঁম: শান্তি.. ওঁম: শান্তি.. ওঁম: শান্তি....।

Block - C, Ground Floor, Assam Sachivalaya, Dispur, Guwahati - 781006, Tel. : 0361-2237008 (O)

# শোকবাৰ্তা



অসমীয়া সাহিত্য-সমাজ জীৱনৰ কিম্বদন্তি মহীৰুহ শ্ৰদ্ধাৰ হোমেন বৰগোহাঞিদেৱৰ মৃত্যু অসমীয়া সমাজ জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি। তেখেতৰ বিয়োগত অতিশয় শোকস্তব্ধ হৈ পৰিছোঁ। প্ৰয়াত সাংবাদিক,ঔপন্যাসিক, সু-সাহিত্যিক গৰাকীৰ বিদেহ আত্মাৰ সদগতি কামনা কৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছোঁ।

ওঁমঃ শান্তি।।

ৰূপেশ গোৱালা
বিধায়ক
১২৫ নং ডুমডুমা সমষ্টি
১২ মে', ২০২১

# শোকবাৰ্তা

বিশিষ্ট কথাশিল্পী হোমেন বৰগোহাঞিদেৱৰ মৃত্যু অসমীয়া সমাজ জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি। তেখেতৰ বিয়োগত সমগ্ৰ অসমবাসীৰ লগতে অসম ৰাজ্যিক সাংবাদিক সন্থাও অতিশয় মৰ্মাহত। সন্থাৰ তৰফৰ পৰা প্ৰয়াত সাহিত্যিক গৰাকীৰ বিদেহ আত্মাৰ সদগতি কামনা কৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছোঁ। ওঁমঃ শান্তি।।

| | |
|---|---|
| জিতু শৰ্মা ৰাজখোৱা | ৰাতুল বৰা |
| সভাপতি | সম্পাদক |

অসম ৰাজ্যিক সাংবাদিক সন্থা

১২ মে', ২০২১

---

# শোকবাৰ্তা

বিশিষ্ট কথাশিল্পী হোমেন বৰগোহাঞিদেৱৰ মৃত্যু অসমীয়া সমাজ জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি। তেখেতৰ বিয়োগত সমগ্ৰ অসমবাসীৰ লগতে সদৌ অসম কবি সন্মিলনো অতিশয় মৰ্মাহত। সদৌ অসম কবি সন্মিলনৰ তৰফৰ পৰা প্ৰয়াত সাহিত্যিক গৰাকীৰ বিদেহ আত্মাৰ সদগতি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছোঁ। ওঁমঃ শান্তি।।

| | |
|---|---|
| প্ৰদীপ শইকীয়া | উজ্জ্বল পাওগাম |
| সভাপতি | প্ৰধান সম্পাদক |

সদৌ অসম কবি সন্মিলন

১২ মে', ২০২১

# শোকবাৰ্তা

অসমীয়া জাতিৰ মহীৰূহ স্বৰূপ, যিজনে জীৱনৰ শেষ সময়লৈকে অসমীয়া ভাষা সাহিত্য জগতৰ বাবে অহৰহ কাম কৰি গৈছিল। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সাহিত্য অকাডেমি বঁটা বিজয়ী, সাংবাদিক, বুদ্ধিজীৱী হোমেন বৰগোহাঞিদেৱৰ মৃত্যুত গোলাঘাট সদৰ কবি সন্মিলনৰ তৰফৰ পৰা গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোক সন্তপ্ত পৰিয়াল বৰ্গলৈও সমবেদনা জ্ঞাপন কৰিলোঁ।

হে মহান, আপোনাৰ বিদেহ আত্মাই বৈকুণ্ঠত স্থান পাওক।

ঔম শান্তিঃ শান্তিঃ শান্তিঃ।

গোলাঘাট সদৰ কবি সন্মিলনৰ হৈ

ড০ দীপালী বৰা (সভাপতি)
হেমা চৌধুৰী গগৈ (সম্পাদক)

---

## বিশিষ্ট সাহিত্যিক হোমেন বৰগোহাঞি দেৱৰ মৃত্যুত গোলাঘাট জিলা কবি সন্মিলনৰ শোকপ্ৰকাশ

অসমৰ জাতীয় জীৱনৰ মহীৰূহ স্বৰূপ, বিশিষ্ট কবি-সাহিত্যিক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, আদৰ্শবান সাংবাদিক,বিদগ্ধ পণ্ডিত, চিন্তাৰ মহানায়ক শ্ৰদ্ধাৰ হোমেন বৰগোহাঞি দেৱৰ পৰলোকপ্ৰাপ্তিত আমি গোলাঘাট জিলা কবি সন্মিলনে গভীৰ শোকপ্ৰকাশ কৰিছোঁ। তেখেতৰ মৃত্যুত অসমৰ সমাজ-সাহিত্য জীৱনৰ এক অপূৰণীয় ক্ষতি হৈ ৰ'ল । আমি তেখেতৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি শোকসন্তপ্ত পৰিয়ালটিলৈ সমবেদনা জ্ঞাপন কৰিলোঁ। আমি নিশ্চিত তেখেতৰ মহান সৃষ্টিৰ মাজেৰে তেখেত সদায়ে সকলোৰে মাজত জীয়াই থাকিব।

ওঁম শান্তি ।

নৰেন শইকীয়া — সভাপতি

দীপ হেষ্টিংছ বৰি — সম্পাদক

গোলাঘাট জিলা কবি সন্মিলন

# হোমেন বৰগোহাঞিৰ মৃত্যুত একলম

**ভবানন্দ কলিতা**
মুখ্য সম্পাদক, কাজিৰঙা লাইভ

অসমৰ সাহিত্য জগতৰ ভোটাতৰা, বিশিষ্ট সাহিত্যিক, সাংবাদিক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, গল্পকাৰ, নিবন্ধকাৰ, সমালোচক তথা নিয়মীয়া বাৰ্তা কাকতৰ মূখ্য সম্পাদক হোমেন বৰগোহাঞিৰ মৃত্যুত কাজিৰঙা লাইভ ২৪/৭ ৰ তৰফৰ পৰা গভীৰ শোক প্ৰকাশ কৰিছোঁ। ২০০১চনত অসম সাহিত্য সভাৰ ডিব্ৰুগড় অধিবেশনত বৰগোহাঞিদেৱে নিজৰ অভিভাষণত কৈছিল ..অসমীয়া শব্দটো মই সংকীৰ্ণ অৰ্থত ব্যৱহাৰ নকৰোঁ। থলুৱা জনজাতি সকলৰ উপৰিও নবাগত চাহ জনজাতি, মিঞা মুছলমান সকলক লৈ ইতিমধ্যে বৃহত্তৰ অসমীয়া জাতি গঠন হৈছে। কিন্তু অসমীয়া জাতি অধিক শক্তিশালী হব লাগিব। অসমত পুৰুষানুক্ৰমে বসবাস কৰা নেপালী, মাৰোৱাৰী, বাঙালি, হিন্দুস্থানী আদি কেবাটাও জনগোষ্ঠী স্বেচ্ছাই বৃহত্তৰ অসমীয়া জাতি গঠনত ভাগ ল'বলৈ আহিছে। যিহেতু অসমেই তেওঁলোকৰ জন্মভূমি, কৰ্মভূমি সেয়েহে অসমীয়া সকলে তেওঁলোকক আকোঁৱালি ললে ক্ষতি নাই। এই কথাষাৰে বৰগোহাঞিদেৱৰ বিশাল ব্যক্তিত্ব প্ৰকাশ কৰাৰ সমান্তৰালভাৱে তেখেতৰ এনে ব্যতিক্ৰমী চিন্তাধাৰাৰ পৰিপ্ৰেক্ষিতত বৰগোহাঞিদেৱক অসমীয়া জাতিৰ পথ প্ৰদৰ্শক বুলি কবি পাৰোঁ। বৰগোহাঞিৰ সাহিত্য সম্পৰ্কে কবলৈ গলে সুবালা, পিতাপুত্ৰ, মৎসগন্ধা, আত্মানুসন্ধান, সাউদৰ পুতেকে নাও মেলি যায় আদি অন্যতম। ঔপন্যাসিক হিচাপে তেওঁ স্বীকৃত আৰু সন্মানিত হলেও ব্যক্তিগত ৰচনা বোৰৰ পৰা বিপুলভাৱে জনপ্ৰিয়। এইবোৰৰ পৰা তেখেত অসমীয়া সাহিত্যৰ অন্যতম শ্ৰেষ্ঠ গদ্য লেখক হিচাপে পৰিগণিত হৈছে। এক অভিনৱ আৰু শক্তিশালী গদ্য শৈলীয়ে তেখেতৰ বিশেষ কৃতিত্বত প্ৰমাণিত কৰিছে। সাংবাদিক হিচাবেও তেখেতৰ নীলাচল কাকতৰ পৰা নিয়মীয়া বাৰ্তা কাকতলৈ এক সুদীৰ্ঘ যাত্ৰা। এইগৰাকী পুৰোধা ব্যক্তিৰ মৃত্যু অসমীয়া জাতি আৰু সাহিত্যৰ বাবে অপূৰণীয় ক্ষতি। ■■

# এক অনন্য সত্তাৰ অৱসান

**হৃদয়ানন্দ গগৈ**
গুৱাহাটী

১৯৫৩ চনত ৰামধেনু আলোচনীৰ ষষ্ঠ বছৰ সপ্তম সংখ্যাত “বৰষুণ” শীৰ্ষক গল্পৰে আৱিৰ্ভাৱ ঘটিছিল হোমেন বৰগোহাঞি নামৰ এইগৰাকী প্ৰথিতযশা কথাশিল্পীৰ। তাৰ পিছত আৰু ৰৈ থাকিবলগীয়া হোৱা নাই। অনন্য সৃষ্টিধাৰাৰ বৃষ্টি। মাথোঁ সৃষ্টি। অসমীয়া সাহিত্যৰ ইতিহাসত সৃষ্টিশীল সাহিত্যিক হিচাবে যি স্থান তেওঁ দখল কৰিবলৈ সক্ষম হৈছে সেয়া নিশ্চিতভাৱে কালজয়ী আৰু সমাজ আৰু জাতীয় চৈতন্যৰে সমৃদ্ধ মহিমামণ্ডিত অধ্যায়। তেওঁৰ মহাপ্ৰস্থানে সাহিত্যৰ লগতে অসমৰ বৌদ্ধিক জগতৰ বাবেও এক শূন্যতাৰ সৃষ্টি কৰিলে। সাংবাদিক হিচাবেও তেওঁ ভালেকেইখন কাকত সম্পাদনাৰ মাজেদি অপৰিসীম দক্ষতাৰ পৰিচয় দিয়াৰ উপৰিও অনেক জনক পাঠ শিকালে। তেওঁ অসম বাণীৰ সম্পাদক হৈ থাকোতে (১৯৯৬ চন) মই গৰীয়সীত যোগদান কৰিছিলো আৰু কিছু দিন নিবিড়ভাৱে তেওঁক পাইছিলো। প্ৰথম দিনটোৰ কথা মোৰ আজিও মনত আছে। আমি তেতিয়া একেখন ঘৰ হোৱাত স্বাভাৱিকতে আনুষ্ঠানিকভাৱেই মই তেওঁক মাত লগাবলৈ গৈছিলোঁ। প্ৰায় ১৫ মিনিট কথা পাতিছিলো। ভালেমান বিষয়ত। কিন্তু মুকলিভাৱে মোক পোনতে কোৱা কথাটো তাৎপৰ্যপূৰ্ণ। তেওঁ কৈছিল- “ডেকা মানুহে কিয় আলোচনীত কাম কৰিব লাগে, পেপাৰত কৰা। কাইলৈৰ পৰা তুমি ইয়াত কাম কৰা। অসম বাণীত অত্যন্ত ভাল লাগিব। মই পি জিক কৈ দিম।” মই তেওঁক অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলো আৰু বিগলিত মন এটা লৈ সেইবাৰ গ'লো তেতিয়াৰ ট্ৰিবিউনৰ সম্পাদক নৰেন ডেকাক মাত লগাবলৈ। তাতো একেই প্ৰসংগ, একেই অৱস্থা। তেওঁৰ প্ৰস্তাৱো একেটাই। ইংৰাজীত এম এ কৰি কি অসমীয়া কাকতত সাংবাদিকতা কৰিব লাগে? মই তেতিয়া ইংৰাজী অসমীয়া দুয়োটা ভাষাতে প্ৰায় সকলো কাকততে সমসাময়িক নানা বিষয়ক লেখা-মেলা কৰিছোঁ। নৰেন ডেকাদেৱে মোৰ মন সলনি কৰিবলৈ দুমাহমান চেষ্টা কৰিলে। কিন্তু মই আলোচনীখনৰ কামতে ঐকান্তিকতাৰে লাগি পৰিলোঁ কাৰণ চন্দ্ৰপ্ৰসাদ শইকীয়াৰ সহযোগিতাত মোৰ মনতো এক নতুনত্বৰ চিকমিকনি উঠা যেন

উমান পাইছিলো। ভাল লাগিছিল। পুলকিত হৈছিলোঁ। কিন্তু হোমেন বৰগোহাঞিদেৱে মোক অব্যাহতি দিয়া নাছিল। ভালে কেইটা বিষয়ত মোক তেওঁৰ কাকতত লিখিবলৈ বাধ্য কৰিছিল। মই "ৰামধেনুৰ শ্ৰেষ্ঠ গল্প" সংকলনখন কৰোতে তেওঁক সৃষ্টিশীল সাহিত্যিক হিচাবে পুনৰ আৱিষ্কাৰ কৰিবলৈ সুযোগ পাইছিলো আৰু তেওঁৰ অনন্য কথাশৈলীত অসমীয়া সাহিত্যৰ কালাতীত স্ফূৰণ দেখিছিলোঁ। মই তেওঁৰ "ইস্মাইল শেখৰ সন্ধানত" গল্পটো ৰামধেনুৰ পাতৰপৰা সংকলিত কৰিছিলোঁ। তেওঁ অসম বাণী এৰি যাওঁতে শইকীয়াদেৱে দায়িত্ব লওঁতেও মোক প্ৰতিটো সংখ্যাতে তিনি পৃষ্ঠাধিক লিখোৱাইছিল। সেইবোৰ অৱশ্যে মোৰ নিজৰ নামত নাছিল। পৰবৰ্ত্তী সময়ত হোমেন বৰগোহাঞি আমাৰ অসম কাকতত থাকোতে তেওঁৰ কাকতত লিখিবলৈ মোৰ সময় কমি আহিল আৰু দুটা অনুষ্ঠানত লিখা-মেলা দিয়াটোও সম্ভৱ নাছিল। তথাপি তেওঁৰ নতুন সৃষ্টি হ'লেই মোৰ মতামত জানিব বিচাৰিছিল। তেওঁৰ নতুন উপন্যাস "নিঃসঙ্গতা" ই আলোড়ন সৃষ্টি কৰা সময়তো মোৰ অভিমত জানিব বিচাৰিছিল। মই পুনৰ তেওঁৰ কাকতত লিখিবলৈ বাধ্য হৈছিলোঁ আৰু উপন্যাসখনৰ বিষয়ে কিছু আলোকপাত কৰিবলৈ যত্ন কৰিছিলোঁ। এবাৰ তেওঁৰ কথাশিল্পৰ নাট্যৰূপ হৈছিল ৰবীন্দ্ৰ ভৱনত। তেওঁ মোক কাষতে বহিবলৈ দি নাটকখন একেলগে উপভোগ কৰিছিল। ওলাই আহোঁতে মোক কৈছিল এইবাৰ মই লিখা বুলি নকওঁ। নিজে যি ভাবা। -- মই পুনৰ তেওঁৰ নাটকৰ বিষয়ে লিখিলো। তাৰ পিছত আৰু বহু কথা। বহু দিন। মাজে মাজে কথা। সাহিত্য সভাৰ অনুষ্ঠানবোৰত লগ পাওঁ। চমু কথা। এটা কথা কিন্তু মুকলি ভাৱে মোক প্ৰায়ে কয়- তুমি একেই আছা। গম পাই আছোঁ। ইত্যাদি ইত্যাদি। পুনৰ দুবছৰমান আগতে "চেতনা" উন্মোচন অনুষ্ঠানত লগ পালোঁ প্ৰাগজ্যোতিষ কলেজত। দুয়ো বেছ কিছু সময় গম্ভীৰভাৱে ভালেমান কথা পাতিলো। কলেজৰ অত্যাধুনিক কাৰিকৰী কৌশলসমৃদ্ধ পুথিভঁৰালত আমি গ্ৰন্থৰ সংৰক্ষণ আৰু অনুসন্ধান সন্দৰ্ভত অধিক চৰ্চা কৰিছিলো। বোধহয় সেই দিনাই আমাৰ অন্তিম গম্ভীৰ আলাপ। তাৰ পিছতো অৱশ্যে সাহিত্য সভাৰ বিষয়ক কেইবাৰমান সৌজন্যমূলক চমু আলোচনা আমাৰ মাজত হৈছিল। সেইবোৰ আন প্ৰসংগত কেতিয়াবা ক'ম।

আজি তেখেতক হেৰুৱাই মই নিজে ব্যক্তিগতভাৱেও অত্যন্ত মৰ্মাহত হৈছো আৰু মোৰ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ। তেওঁৰ সৃষ্টি, আদৰ্শ আৰু সমাজ-জীৱনৰ দিকদৰ্শন অসমৰ বাবে সদায় পাথেয় হৈ থাকিব।

শেষত তেখেতৰ পুণ্যাত্মাৰ অনন্ত শান্তি প্ৰাৰ্থনা কৰিছো। ■■

# অসম আৰু অসমীয়া জাতিৰ মাৰ্গদৰ্শক গৰাকীৰ মহাপ্ৰয়াণত ...

**ড° বিজয়কৃষ্ণ সন্দিকৈ**
**জ্যেষ্ঠ বিজ্ঞানী, শ্বিলং**

অসমীয়া জাতিয়ে আজি এজন অভিভাৱক হেৰুৱালে। অসমৰ বৌদ্ধিক আকাশৰ উজ্জ্বলতম জ্যোতিষ্ক, অনন্য সৃষ্টিৰাজিৰে অসমৰ সাহিত্য জগতক সমৃদ্ধ কৰা মহীৰূহ হোমেন বৰগোহাঞিদেৱৰ বিয়োগত আজি অতিশয় শোকস্তব্ধ হৈ পৰিছোঁ ।

ক'ভিড জয় কৰি ঘৰলৈ উভটি অহা সদা স্বাস্থ্য সচেতন হোমেন বৰগোহাঞিৰ দৃঢ় শৰীৰ আৰু মনৰ কথা বন্ধুবৰ্গৰ সৈতে আলোচনা কৰি আছিলোঁ যোৱা ৰাতিলৈকে। আজিৰ পুৱাৰ আকস্মিক খবৰটোৱে হঠাতে যেন এক ধুমুহা হৈ উৰুৱাই নিলে মূৰৰ মূধচ। অতিকে প্ৰিয় সাহিত্যিক গৰাকীৰ মৃত্যুৰ বাতৰিয়ে এক বুজাব নোৱাৰা শূন্যতাৰ সৃষ্টি কৰিলে।

স্কুলীয়া জীৱনত 'আধুনিক যুগৰ জন্ম কাহিনী' নামৰ দ্ৰুতপাঠ্য খনি পঢ়িয়েই হোমেন বৰগোহাঞিদেৱৰ প্ৰতি প্ৰথম আকৰ্ষিত হৈছিলোঁ। পাছলৈ তেওঁৰ ৰচনাবোৰত প্ৰতিফলিত হোৱা তথ্য-বিচাৰ আৰু আত্ম জীৱনৰ আধাৰত দাঙি ধৰা যুক্তিবাদী অথচ সৰল বৰ্ণনাই বাৰুকৈয়ে মোহিত কৰিছিল মোৰ দৰে হয়তো অগণন পাঠকক। ভাষাৰ প্ৰাঞ্জলতা আৰু স্পষ্টবাদিতাই সমালোচনা সাহিত্যকো তেখেতে এক নতুন ৰূপত ডাঙি ধৰি পাঠকৰ বাবে আকৰ্ষণীয় কৰি তুলিছিল। ইংৰাজী সাহিত্যত কেৱল স্নাতক ডিগ্ৰীধাৰী ব্যক্তিয়ে পৃথিৱীৰ সাহিত্য সংস্কৃতিৰ বিশাল ভাণ্ডাৰৰ সুধা সংগ্ৰহ কৰি সকলো পাঠকক সোৱাদ লগাকৈ কেনেদৰে দি গ'ল, সেয়া ভাবিলে আচৰিত হ'বলগীয়া। তেখেতৰ নিৰৱচ্ছিন্ন উদ্যোগ আৰু প্ৰচেষ্টাৰ অবিহনে অসমীয়া সাহিত্যত বিশ্বকোষ কোনোদিনেই সংযোজন ন'হ'লহেঁতেন।

সাহিত্য আৰু সাংবাদিকতাৰ বিশাল ক্ষেত্ৰখনক বাদ দি আন কিছু ব্যতিক্ৰমী ব্যক্তিত্বই তেখেতক অসম আৰু অসমীয়াৰ মাৰ্গদৰ্শক হিচাপে অনন্ত কাললৈ জীয়াই ৰাখিব। ৰাজ্যখনৰ চুকে কোণে লুকাই থকা অনেক প্ৰতিভাক হোমেন বৰগোহাঞিদেৱে সাহিত্য-সংস্কৃতি আৰু আন আন ক্ষেত্ৰসমূহত প্ৰতিষ্ঠা কৰি গ'ল। নিজৰ ওপজা ঠাই ঢকুৱাখনাক অনেক লিখনিৰ জৰিয়তে বিশ্বদৰবাৰত এক চিনাকি পৰিচয় প্ৰদান কৰি গ'ল।

আৰ্তজনৰ সেৱাৰ বাবে আৰম্ভ কৰা ‘কৰুণাধাৰা ন্যাস’ হোমেন বৰগোহাঞিদেৱৰ ব্যতিক্ৰমী চিন্তাধাৰাৰে ফচল। বিশ্বৰ সাহিত্য-সংস্কৃতি, কলা-বিজ্ঞান আদি অলেখ বিষয়ৰ সোৱাদ তেখেতৰ লিখনিৰ জৰিয়তে সকলোৱে আমাৰ মাতৃভাষাতে ল’ব পাৰিছোঁ।

নিজৰ লিখনিৰ জৰিয়তে অসমীয়া জাতিসত্বাৰ এক আমোঘ বিশ্লেষণ সকলোৰে সন্মুখত দাঙি ধৰি সকলোকে সদা সতৰ্ক হ’বলৈ অহৰহ ৰিঙিয়াই আছিল হোমেন বৰগোহাঞিদেৱে। নিজৰ জন্মভূমিৰ প্ৰতি থকা গভীৰ দায়বদ্ধতা তেখেতৰ প্ৰতিটো কৰ্মৰাজিৰ মাজেৰে প্ৰকাশ হৈছিল। অসমীয়া সমাজ জীৱনৰ এনে এটা দিশ নাই যিটো দিশত তেখেতে বিস্তৃত বিশ্লেষণ কৰা নাই। জীৱনৰ পৰা মৃত্যুলৈকে মানৱ জীৱনৰ সকলো দিশৰে নিৰ্মোহ বিশ্লেষণেৰে ভৰি আছে তেখেতৰ অজস্ৰ ৰচনা। একেধাৰে সাংবাদিক, ঔপন্যাসিক, গল্পকাৰ, কবি, সমালোচক, প্ৰবন্ধকাৰ, সু-সাহিত্যিক আদি অনেক ক্ষেত্ৰত হোমেন বৰগোহাঞিদেৱে তেখেতৰ অনবদ্য অৱদানেৰে চহকী কৰি থৈ গৈছে অসমীয়া জাতীয় সম্পদৰ ভঁৰাল। আৰু হয়তো কোনো দিনেই নোলাব এনে এক প্ৰতিভাৰ স্থান পূৰাব পৰা কোনো ব্যক্তি সত্বা। মাথোঁ যুগ-যুগান্তৰলৈ চৰ্চিত হ’ব তেখেতৰ ব্যতিক্ৰমী ব্যক্তিত্বৰ। আলোচিত হ’ব তেখেতৰ বিশাল লিখনি সম্ভাৰৰ প্ৰতিটো দিশ।

এনে এজন প্ৰকৃত অসমীয়া সংগ্ৰামীৰ মহাপ্ৰয়াণত যাঁচিলোঁ অযুত অশ্ৰু অঞ্জলি।■■

---

# বৰগোহাঞি ছাৰৰ সোঁৱৰণত ...

**দীপাংকৰ মল্ল বৰুৱা**
যোৰহাট

২০১৪ চনৰ কথা। প্ৰবন্ধ এটা লিখি প্ৰথমবাৰৰ কাৰণে বাতৰি কাকতলৈ পঠিয়াই দিছিলোঁ। তাকো আমাৰ অসমলৈ। কেইদিনমানৰ পাছত উপ সম্পাদক জীনা ফুকনৰ ফোন আহিছিল। তেওঁ ক’লে, “ছাৰে আপোনাৰ লেখাটো পঢ়ি ভাল পাইছে। অহা শুক্ৰবাৰে লেখাটো প্ৰকাশ হ’ব”। কথাটো জানিব পাৰি মনত সাংঘাটিক উৎসাহ পালোঁ। সেই উৎসাহতে আৰু এটা প্ৰবন্ধ আমাৰ অসমলৈ লিখি পঠিয়ালোঁ। শুক্ৰবাৰে প্ৰথমটো লেখা প্ৰকাশ হোৱাৰ দুদিন পাছতে সোমবাৰে দ্বিতীয় লেখাটো প্ৰকাশ পালে।

মোৰ দৰে প্ৰথমবাৰলৈ বাতৰি কাকতলৈ লেখা পঠিওৱা নতুন লেখক এজনৰ কাৰণে সেয়া আছিল এক সুখময় অভিজ্ঞতা। ইমানেই উৎসাহ পালোঁযে আন এটা প্ৰবন্ধ ততাতৈয়াকৈ লিখি আমাৰ অসমলৈ পঠিয়াই দিলোঁ। তৃতীয়টো প্ৰবন্ধ পঠিওৱাৰ দুদিনমান

পাছত হঠাতে অচিনাকী নম্বৰ এটাৰ পৰা ফোন আহিল। “হেল্লো” বুলি কোৱাৰ লগে লগে সিফালৰ পৰা শুনিবলৈ পালোঁ সেই চিনাকী কণ্ঠ, “মই হোমেন বৰগোহাঞিয়ে কৈছোঁ”।

সেয়াই আছিল এটা সম্পৰ্কৰ আৰম্ভণি। মোৰ দৰে অখ্যাত ব্যক্তি এজনক কেৱল উৎসাহ দিবলৈকে ছাৰে ফোন কৰিলে। মই কি কৰোঁ, ক'ত থাকোঁ, কি পঢ়া-শুনা কৰিছোঁ সকলো এফালৰ পৰা সুধিলে। ছাৰে বহুসময় মোৰ লগত কথা পাতিলে। সেই প্ৰথম চিনাকীতে ছাৰে কোৱা কথাকেইটা এতিয়াও কাণত বাজি থাকে। “সকলো মানুহে লিখিব নোৱাৰে। যিসকলৰ এই প্ৰতিভাটো আছে তেওঁলোকে যিমান পাৰে লিখিব লাগে”।

হোমেন বৰগোহাঞি ছাৰৰ দৰে অসমীয়া সাহিত্যৰ পুৰোধা ব্যক্তি এগৰাকীৰ পৰা এনে উৎসাহ পাই মোৰ কলমে গতি পালে। প্ৰায় প্ৰতি সপ্তাহতে এটাকৈ প্ৰবন্ধ আমাৰ অসমলৈ পঠিয়াবলৈ ল'লোঁ। তাকে দেখি ছাৰে আকৌ এদিন ফোন কৰি ক'লে যে একেখন কাকতলৈ ইমান লেখা পঠিয়ালে প্ৰকাশ কৰিবলৈ অসুবিধা হয়। ছাৰৰ পৰামৰ্শ মতে মই আন আন কাকতলৈও লেখা পঠিয়াবলৈ ল'লোঁ।

ছাৰক প্ৰথম বাৰৰ কাৰণে সোঁশৰীৰে লগ পাইছিলোঁ মাৰ্ঘেৰিটাৰ চিংফৌ ইকো কেম্পত। আমি সপৰিয়ালে তালৈ অৱসৰ বিনোদনৰ বাবে গৈছিলোঁ। ছাৰ তেওঁৰ বৰ পুত্ৰৰ পৰিয়ালৰ লগত তালৈ গৈছিল। সেইদিনা বৰ বেছি কথা বতৰা হোৱা নাছিল। সেই নিৰিবিলি পৰিৱেশত ছাৰে তেওঁৰ নাতি হঁতৰ লগত ওমলি থকা দেখি তেওঁৰ শিশুসুলভ মনটোৰ উমান পাইছিলোঁ। সেইদিনাই ছাৰৰ খাদ্যৰসিকতাৰো উমান পাইছিলোঁ।

ছাৰক দ্বিতীয়বাৰৰ বাবে লগ পাইছিলোঁ দুলীয়াজানত আমাৰ প্ৰতিবেশী, ছাৰৰ ভতিজা গৌৰাংগ বৰগোহাঞি দাদাৰ ঘৰত। ছাৰে দুলীয়াজানৰ ৰঙালী বিহুৰ অনুস্থানত মুখ্য অতিথি হৈ আহিছিল। সম্পূৰ্ণ ঘৰুৱা পৰিৱেশত সেইদিনা ছাৰৰ লগত বহুত কথা হৈছিল। ছাৰে সেইদিনাৰ পৰা মোক আপুনিৰ সলনি তুমি বুলি সম্বোধন কৰিবলৈ ল'লে। মোৰ লগত মোৰ শ্ৰীমতীও আছিল। ছাৰে তেওঁৰ লগতো বৰ আন্তৰিকতাৰে কথা পাতিলে। সেইদিনা ডিব্ৰুগড়ৰ ডাক্তৰ নিৰ্মল ছাহেৱালা আৰু ডাক্তৰ প্ৰণয় ফুকনৰ লগত ছাৰে পতা ৰসাল আৰু খুহুতীয়া কথা বতৰাৰ ভাগ আমিও পাইছিলোঁ। বাহিৰৰ পৰা বৰ গহীন মানুহজনৰ মাজতযে ইমান ৰঙিয়াল মানুহ এজন লুকাই আছে, সেইদিনাহে অনুভৱ কৰিছিলোঁ।

লেখা মেলাৰ যোগেদি ছাৰৰ লগত এটা আন্তৰিক সম্পৰ্ক স্থাপন হৈছিল। এদিন ছাৰে ফোন কৰি মোক ক'লে, “তোমাক মই এটা কাম দিম। বহুত ভাবি চিন্তি তুমিয়েই এই কামটো কৰিবলৈ উপযুক্ত বুলি মই ভাবিছোঁ”। স্বাভাৱিকতে মই কিছু উদ্বিগ্ন অনুভৱ কৰিলোঁ। ছাৰে পিছ মুহূৰ্ততে প্ৰায় আদেশৰ সুৰত ক'লে, “তুমি আমাৰ অসম কাকতৰ শুক্ৰবাৰৰ সম্পাদকীয়টো প্ৰতি সপ্তাহতে লিখিব লাগিব”। সেই সময়ত মই সাংবাদিকতাৰ

জগতখনৰ বিষয়ে বিশেষ একো নাজানিছিলোঁ। সম্পাদকীয় লিখাৰ বিষয়েও কোনো ধাৰণা নাছিল। সেয়েহে এই গুৰু ভাৰ কান্ধ পাতি লবলৈ শংকিত হৈছিলোঁ। পিছে মোৰ দৰে অভাজনৰ ওপৰত ছাৰৰ এই বিশ্বাস দেখি না কৰিব নোৱাৰিলোঁ। এইদৰেই প্ৰায় তিনি বছৰ মই আমাৰ অসমত প্ৰতি সপ্তাহত এদিনকৈ সম্পাদকীয় লিখিছিলোঁ। মোৰ লেখক জীৱনৰ বাবে এয়া আছিল এক অভাৱনীয় প্ৰাপ্তি। নিয়মীয়াকৈ সম্পাদকীয় লিখিবৰ কাৰণে মই যথেষ্ট পঢ়া শুনাও কৰিবলগীয়া হৈছিল। মোৰ লেখাবোৰ পঢ়ি ছাৰে মাজে মাজে মোলৈ ফোন কৰি নাতিদীৰ্ঘ কথা পাতিছিল। লেখাবোৰ ভাল কৰিবলৈ সৰু সৰু উপদেশ দিছিল। মোৰ দৰে অখ্যাত লেখকক এইদৰে প্ৰতিপাল কৰি সমৃদ্ধ কৰা দ্বিতীয় এজন ব্যক্তি হয়তো অসমীয়া সাহিত্য জগতত সহজতে নোলাব।

আমাৰ অসম কাকত এৰি নিয়মীয়া বাৰ্তালৈ যোৱাৰ পাছত আকৌ এবাৰ ছাৰে নিয়মীয়া বাৰ্তাৰ বাবে সম্পাদকীয় লিখিবলৈ মোৰ ওপৰত দায়িত্ব ন্যস্ত কৰিছিল। ছাৰৰ আদেশ এইবাৰো অমান্য কৰিব নোৱাৰিলোঁ। আমাৰ অসমত সম্পাদকীয় লিখাৰ পৰা অব্যাহতি লৈ ছাৰে কোৱা মতে প্ৰায় দুবছৰ মই নিয়মীয়া বাৰ্তাৰ বাবে সাপ্তাহিক সম্পাদকীয় লিখিছিলোঁ। ছাৰৰ মোৰ ওপৰত থকা এই বিশ্বাসৰ কাৰণেই মই নিয়াৰিকৈ কামটো কৰিব পাৰিছিলোঁ। ছাৰে মোক যিকোনো বিষয়ৰ ওপৰত লিখিবলৈ মোক অবাধ স্বাধীনতা দিছিল। সম্পাদকীয় লিখাৰ তাগিদাৰ কাৰণেই মই বিভিন্ন বিষয়ৰ জ্ঞান লাভ কৰিবলৈও সক্ষম হৈছিলোঁ।

মই যেতিয়া মোৰ প্ৰথমখন গ্ৰন্থ প্ৰকাশ কৰিবলৈ আগবাঢ়িছিলোঁ, ছাৰে মোক যথেষ্ট উৎসাহিত কৰিছিল। গ্ৰন্থখন আছিল মোৰ প্ৰথম প্ৰবন্ধ সংকলন, "আজৰি পৰৰ গদ্য"। কওঁ নকওঁকৈ ছাৰক মোৰ কিতাপখনৰ আগ কথাটো লিখি দিবলৈ অনুৰোধ কৰিছিলোঁ। ছাৰে লগে লগে সন্মতি দিছিল। মই কথাটো কোৱাৰ পাছদিনাই ছাৰে ইমেইল যোগে তেওঁৰ লেখাটো পঠিয়াই দিছিল। কিতাপখন প্ৰকাশ হৈ ওলোৱাৰ পথত ছাৰৰ দিহা পৰামৰ্শখিনিৰ কাৰণে মই সদায় ছাৰৰ ওচৰত কৃতজ্ঞ হৈ থাকিম।

ছাৰক আকৌ এবাৰ ভালদৰে লগ পাইছিলোঁ যেতিয়া ছাৰে কৰুণাধাৰাৰ বাবে অইল ইণ্ডিয়া বিষয়া সন্থাই আগবঢ়োৱা পুঁজি সংগ্ৰহৰ কাৰণে দুলীয়াজানলৈ গৈছিল। ছাৰ গেষ্ট হাউছত থকাৰ খবৰ পাই মই পৰিবাৰ প্ৰণীতাৰ সৈতে ছাৰক দেখা কৰিবলৈ গৈছিলোঁ। সেইদিনা ছাৰে আমাক অকলশৰে পাই বহুত কথা পাতিছিল। আমি আচৰিত হৈছিলোঁ বহুদিন আগতে লগ পোৱা স্বত্বেও ছাৰে প্ৰণীতাৰ নাম, তাই কি কৰে, ক'ত ঘৰ, ক'ত পঢ়িছিল সকলো কথা মনত ৰাখিছিল। ছাৰৰ স্মৃতিশক্তি দেখি তবধ মানিছিলোঁ। সেইদিনা ছাৰক কথা প্ৰসংগত কৈছিলোঁ, "মেট্ৰিক আৰু হায়াৰ ছেকেণ্ডাৰীত মোৰ লগৰ ভাল ৰিজাল্ট কৰা বেছিভাগ ল'ৰা ছোৱালীয়ে এতিয়া বিদেশত থাকে। মইহে অসমত থাকি

গ'লোঁ''। ছাৰে হাঁহি মাৰি কৈছিল, ''সেই বিদেশত থকা ল'ৰা ছোৱালীতকৈ তুমি বেছি ভাগ্যবান। কাৰণ তুমি তোমাৰ ভাষাটোত সাহিত্য চৰ্চা কৰি অলপ হ'লেও বৰঙণি দিব পাৰিছা''।

সেইবাৰেই ছাৰে মোক অসমৰ তৈলখণ্ডক বিষয় হিচাপে লৈ এখন উপন্যাস লিখাৰ পৰামৰ্শ দিছিল। ছাৰৰ সেই বহুমূলীয়া পৰামৰ্শৰ ভিত্তিতেই মই তৈলখণ্ডৰ ইতিহাস বিষয় হিচাপে লৈ এখন উপন্যাস লিখি উলিয়াবলৈ সক্ষম হৈছিলোঁ। উপন্যাস লিখি থাকোঁতেও মই বহুবাৰ ছাৰৰ লগত ফোনযোগে কথা পাতি দিহা পৰামৰ্শ লৈছিলোঁ। উপন্যাসখন যেতিয়া প্ৰান্তিক আলোচনীয়ে প্ৰকাশ কৰিব খুজিলে সেইসময়ত 'বনলতা'য়ো কিতাপখন প্ৰকাশ কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছিল। ছাৰে মোক প্ৰান্তিকত প্ৰকাশ কৰিবলৈ পৰামৰ্শ দিছিল। ছাৰে কৈছিলযে প্ৰান্তিকৰ জৰিয়তে মই অসমৰ বৌদ্ধিক জগতৰ লগত পৰিচিত হোৱাৰ সুযোগ পাম। পাছলৈ প্ৰান্তিকত উপন্যাসখন প্ৰকাশ হোৱাৰ পাছত ছাৰে একোটা খণ্ড পঢ়ি মোলৈ মোবাইল বাৰ্তাৰ জৰিয়তে পঢ়ি কেনে পাইছে জনাইছিল। উপন্যাসখন কিতাপ আকাৰে প্ৰকাশ হোৱাৰ পাছত এটা কপি ছাৰৰ হাতত তুলি দিছিলোঁ। তেওঁ বৰ আগ্ৰহেৰে কিতাপখন হাতত তুলি লৈছিল।

২০১৮ চনৰ ফেব্ৰুৱাৰী মাহত নিয়মীয়া বাৰ্তাত মই লিখা এটা প্ৰবন্ধ পঢ়ি ছাৰে হঠাতে এদিন মোক ফোন কৰিছিল। ছাৰে প্ৰবন্ধটোৰ প্ৰশংসা কৰি সেই বিষয়বস্তুৰ ওপৰত আলোচনা কৰিবলৈ তেওঁৰ নিউজ লাইভৰ অনুস্থান কথা বাৰ্তালৈ মোক নিমন্ত্ৰণ কৰিছিল। এয়া আছিল মোক বাবে এক অভাবনীয় উপহাৰ। মই তাৰ আগতে কেতিয়াও টেলিভিছনৰ অনুস্থানত অংশগ্ৰহণ কৰি পোৱা নাছিলোঁ কাৰণে মই কিছু নাৰ্ভাছ হৈছিলোঁ। কিন্তু ছাৰে মোক উৎসাহিত কৰিলে আৰু মই নিউজ লাইভৰ ষ্টুডিঅ'ত 'কথা বাৰ্তা' অনুস্থানত ছাৰৰ লগত কথা পতাৰ সুযোগ পালোঁ। ছাৰৰ লগত কথা পাতোতে সময় কেনেকৈ পাৰ হৈ হ'ল মই তলকিবই নোৱাৰিলোঁ। মই কিছু নাৰ্ভাছ হোৱা দেখি ছাৰে অনুস্থানৰ শেষত ক'লে, তোমাৰ ভালেই হৈছে। মই তোমাক দহ নম্বৰৰ ভিতৰত আঠ নম্বৰ দিছোঁ।

ছাৰৰ পৰা দহৰ ভিতৰত দহ নম্বৰ পাব নোৱাৰিলেও হোমেন বৰগোহাঞি ছাৰ আছিল মোৰ লেখক জীৱনৰ আদি গুৰু, মোৰ পৰামৰ্শদাতা আৰু শুভচিন্তক। যোৱা ১২ মে'ৰ ৰাতিপুৱাই ছাৰৰ আকস্মিক বিয়োগৰ খবৰ পাই মৰ্মাহত হৈ পৰিলোঁ। চাকৰিৰ তাগিদাত বৰ্তমান যোৰহাটত থকাৰ বাবে ছাৰৰ পাৰ্থিৱ শৰীৰ শেষবাৰলৈ দৰ্শন কৰাৰ পৰাও মই বঞ্চিত হ'লোঁ। ছাৰে ক'ভিডক জয় কৰি উভতি অহাৰ পাছত ভাবিছিলোঁ, ছাৰে আৰু কিছু বছৰ ভালে কুশলে থাকিব। পিছে নিয়তিয়ে হঠাতে তেওঁক আমাৰ মাজৰ পৰা লৈ গ'ল। পাৰ্থিৱ শৰীৰ আঁতৰি গ'লেও মোৰ দৰে শত সহস্ৰ নতুন লেখকক হাতত ধৰি আগুৱাই নিয়া হোমেন বৰগোহাঞি ছাৰ তেওঁৰ অসংখ্য গুণমুগ্ধৰ মাজত সদায় জীয়াই থাকিব। ■■

# মহানায়কৰ মহাপ্ৰস্থানত ...

**পবিত্ৰ বৰবৰা**
সভাপতি, গোলাঘাট জিলা সাহিত্য সভা

অসমৰ জাতীয় জীৱনৰ এগৰাকী পুৰোধা, সাহিত্য আৰু সংবাদ জগতৰ ধ্ৰুৱতৰা স্বৰূপ, সাহিত্য আকাডেমীকে ধৰি ৰাষ্ট্ৰীয় আৰু অসমৰ বহু অনুষ্ঠানৰ বঁটাৰে সন্মানিত, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰদ্ধাৰ হোমেন বৰগোহাঞি দেৱৰ পৰলোক প্ৰাপ্তিত আমি গভীৰ দুখ পাইছোঁ। তেখেতৰ বিয়োগত অসমৰ সাহিত্য, সংবাদ জগতৰ লগতে সমাজ জীৱনৰ অপূৰণীয় ক্ষতি হ'ল। জাতিৰ মহীৰূহ গৰাকীৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি পৰমপিতাৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ। পৰিয়ালবৰ্গ আৰু তেখেতৰ আত্মীয় সকলোলৈকে শোক সমবেদনা জ্ঞাপন কৰিলোঁ।

শ্ৰদ্ধাৰ হোমেন বৰগোহাঞি দেৱক ব্যক্তিগতভাৱে বহুবাৰ লগ পাইছোঁ। তেখেত অসম সাহিত্য সভাৰ সভাপতি হোৱাৰ পূৰ্ব কালৰ এটা সময়ৰ স্মৃতিয়ে মোক বৰকৈ আমনি কৰিছে। সেই সময়ত অসম চৰকাৰৰ জনসংযোগ বিষয়া আমাৰ ভোলাগুৰিৰ সন্তান সত্যেন গগৈ দেৱৰ লগত তেখেত হেঙেৰাবাৰীৰ এটা ঘৰত আছিল। মই বন্ধু হেমেন হাজৰিকাৰ সৈতে সত্যেন গগৈ দাদাৰ লগত আগতীয়া যোগাযোগ কৰি বৰগোহাঞি চাৰক গোলাঘাট জিলা সাহিত্য সভাৰ দৈয়াং অধিৱেশনলৈ মুখ্য অতিথি হিচাপে মাতিবলৈ গ'লোঁ। তেখেত আমাৰ ওচৰত উপস্থিত হৈ আমাৰ উদেশ্যৰ কথা জানি ক'লে--'মই সাহিত্য সভাৰ কাম-কাজবোৰ বেয়া পাওঁ। কাৰণ সাহিত্য সভাই সভাবোৰত গামোচা পিন্ধাওতেই এঘন্টামান কৰে। সময়ৰ মূল্য নুবুজে। এক বজাৰ সভা পতেগৈ দুই-তিনি বজাত। মানুহবোৰৰ কিছুমান পদলোভী। সেয়ে সাহিত্য সভাৰ পৰা কোনোবাই মাতিলেও মই নাযাওঁ।' আমি তেখেতৰ কথাত থমকি ৰৈছিলোঁ আৰু কৈছিলোঁ 'চাৰ আপুনি বেয়া পোৱা কাম আমি নকৰোঁ বুলি প্ৰতিশ্ৰুতি দিছোঁ। মেৰাপানী অসমৰ সীমান্ত অঞ্চল আৰু তাতেই অধিৱেশন হ'ব। সীমান্ত সমস্যাত জৰ্জৰিত হৈ থকা ৰাইজে আপোনাক বিচাৰিছে।' আমি তেখেতে কোৱা কথা মানি চলাৰ কথা কোৱাত আৰু মেৰাপানীৰ ৰাইজৰ কথা কোৱাত তেখেতে ক'লে-"মই আঁতৰৰ পৰা চাই আছোঁ। গোলাঘাট জিলা সাহিত্য সভাই

কাম কৰা দেখিছোঁ। তাৰ বাবেই মই সাহিত্য সভালৈ প্ৰথম বাৰৰ বাবে যাম।” তেখেত সত্যেন গগৈৰ লগত সভালৈ আহিল। জিলা সাহিত্য সভাৰ সম্পাদক হিচাপে মই সভাৰ সময় ৰক্ষা কৰিব পাৰিলোঁ। অতি দ্ৰুত গতিত গামোচা পিন্ধোৱা পৰ্ব শেষ কৰিলোঁ। সকলো মানি চলোতেও সভাৰ উদ্বোধক চৈয়দ মালিক চাৰক ৰাইজে বেৰিকুৰি থকাত মঞ্চত উঠাত দুই-এক মিনিট পলম হ'ল। ঘোষণাকে লেহম গতিত কৰি সময়তো মিলাই পেলালোঁ। বৰগোহাঞি চাৰে আমাৰ বুদ্ধিটো গম পালে। মালিক চাৰক হাঁহি মাৰি ক'লে- -‘মালিক ককাইটি ক'তনো হেৰুৱা।’ এইবোৰ কথাই আজি বৰকৈ আমনি কৰিছে। অসম সাহিত্য সভাৰ সভাপতি হোৱাৰ পিছত তেখেতৰ লগত বহু সভা-সমিতিত উপস্থিত থকাৰ আৰু অন্তৰঙ্গ আলাপৰ সুযোগ পাইছিলোঁ। সেইবোৰ স্মৃতিৰ পটত ভাঁহিব লাগিছে।■■

---

# মহীৰূহৰ মহাপ্ৰয়াণত শত নমন

**মানসজ্যোতি নাথ**
ৰাজহচক্ৰ বিষয়া, বোকাখাত

ষষ্ঠ মান শ্ৰেণীত পঢ়ি থকা সময়ৰ কথা, কলিয়াবৰ জিলা ছাত্ৰ সন্থাৰ উদ্যোগত বিষ্ণু ৰাভা দিৱস উপলক্ষে কেন্দ্ৰীয় ভাবে আয়োজিত অন্যান্য অনুস্থানৰ লগতে কুইজ প্ৰতিযোগিতাৰ ‘খ’ শাখাত (পঞ্চম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীৰ ভিতৰত) প্ৰথম স্থান লাভ কৰাৰ বাবে পুৰস্কাৰ হিচাপে “মোৰ সাংবাদিক জীৱন” নামৰ কিতাপ খন পাইছিলো। সেয়াই আছিল তেখেতৰ সৃজনশীল সাহিত্যৰাজিৰ লগত প্ৰথম চিনাকী। কিতাপ খন এক সপ্তাহৰ ভিতৰতে পঢ়ি শেষ কৰিলো। বয়স হিচাপে অধিক তত্বগধুৰ আছিল যদিও কিতাপ খনে সাংঘাটিক ভাবে মনত সাচঁ পেলাইছিল। সেই খন পঢ়ি শেষ কৰাৰ পিছত বাইদেউ এগৰাকীয়ে মোৰ আগ্ৰহ দেখি “আত্মানুসন্ধান” নামৰ তেখেতৰ অনন্য আত্ম জীৱনী স্বৰূপ কিতাপ খন উপহাৰ হিচাপে হাতত তুলি দিছিল। গো গ্ৰাসে পঢ়ি পেলাইছিলো সেই বৃহৎ কলেবৰৰ গ্ৰন্থ খন। শৈশৱ আৰু কৈশোৰৰ বয়ঃন্ধিৰ সময়ত বাহিৰা কিতাপ এখন কিনিবলৈ দুপইচা পালেই সদায়েই তেখেতৰ সৃষ্টি ৰাজিৰ ওপৰত দৃষ্টি নিবদ্ধ হৈ গৈছিল। কিতাপৰ মাজত সোমাই আজৰি সময় কটোৱা আমাৰ প্ৰজন্মৰ বাবে তেখেত উজ্জ্বল নক্ষত্ৰ হৈ আছিল, যি জনে নিৰবধি বৈ যোৱা জ্ঞানৰ নিজৰা বোৱাইছিল, প্ৰজ্ঞাৰ আলোক বিলাইছিল। হে বটবৃক্ষ, তুমি উভালি পৰা নাই, তোমাৰ অমৃতফল যুগে যুগে ৰৈ যাব প্ৰজ্ঞাৰ সন্ধানী সকলোৰে মাজত। তোমাৰ মহাপ্ৰয়াণৰ এই মূহুৰ্তত তোমাক শত শত নমন। ■■

# বৰগোহাঞিঃ ছাৰৰ সেই উদাৰতাক সদায় সুঁৱৰিম...

**বিজয় বেজবৰুৱা**
গুৱাহাটী

১.

সকলো লেখকৰে লেখা, বিশেষকৈ ‘গদ্য’ পঢ়িব নোৱাৰি। কিন্তু হোমেন বৰগোহাঞিঃয়ে যিমান গধুৰ লেখা নিলিখক কিয়, একে বহাতে পঢ়িব পাৰি, আমনি নালাগে। গল্প বা উপন্যাসত চৈয়দ আব্দুল মালিকৰ যিদৰে এটা নিজা ঠাঁচ আছে, নামটো নোচোৱাকৈ পঢ়িলেও ধৰিব পাৰি কাৰ গল্প বা উপন্যাস; ঠিক তেনেদৰে হোমেন বৰগোহাঞিঃৰ লেখাৰো এক নিজা ঠাঁচ বা শৈলী আছে। যিমান গধুৰ বিষয় নহ’লেও পাঠকক ধৰি ৰাখিবলৈ তেখেত সক্ষম হৈছিল। ছাৰৰ লেখাৰ এই গুণটোৱে মোক বিশেষভাৱে আকৰ্ষণ কৰে।

২.

অসমীয়া সাহিত্য তথা সংবাদ জগতত হোমেন বৰগোহাঞিঃৰ যি স্থান, সেই স্থান আমি হাতেৰে ঢুকি পোৱাতকৈও বহু ওপৰত। বৰ্তমান এনে কিছু লেখক-সাংবাদিকক পাইছো, যিসকলে ফোনটোও ৰিচিভ কৰিব নোখোজে, বহু সময়ত ৰিচিভেই নকৰে, হোৱাট্ছএপত মেছেজ দিলেও কোনো উত্তৰ নিদিয়ে। কিন্তু আমি জীৱনত কেতিয়াও হাতেৰে ঢুকি নোপোৱা বৰগোহাঞিঃ ছাৰ আছিল তাৰ সম্পূৰ্ণ ওলোটা। এয়া মোৰ বাস্তৱ অভিজ্ঞতা। ছাৰে আমাৰ ফোন কোনোদিন গ্ৰহণ নকৰাকৈ থকা নাছিল। যথেষ্ট আন্তৰিকতাৰে কথাবোৰ শুনিছিল আৰু আলোচনা কৰিছিল। কেতিয়াবা হোৱাটছএপত মেছেজ দিলেও তেওঁ নিজে কল কৰি সেই সন্দৰ্ভত কথা পাতিছিল। একপ্ৰকাৰ ‘খাৰাংখাচ’ এই মানুহগৰাকীৰ মনটো আছিল যথেষ্ট উদাৰ।

৩.

তেখেতৰ উদাৰ মনটোৰ এটা উদাহৰণ দিওঁ আহক।

মোৰ এগৰাকী ভাতৃস্থানীয় বন্ধু, মোৰ নিজা ভাইটিৰ দৰে। আমাৰ গাঁও একেটা অঞ্চলতে। সেই ভাইটিজনে এটা ব্যক্তিগত প্ৰতিষ্ঠানত ‘পিয়ন’ৰ কাম কৰিছিল (চৰকাৰী চাকৰিত জইন কৰিৰ আগতে ময়ো কাম কৰিছিলো তাত)। মই লক্ষ্য কৰিছিলো যে সি

যথেষ্ট কাম জানে, কোনো কামতে এলাহ নাই, সকলো কামতে আগ্ৰহ আৰু লেখা-মেলাৰ প্ৰতিও ধাউতি আছে। গতিকে তাক মই মোৰ ভাৰাঘৰলৈ মাতি নি (তেতিয়া মই বিয়া পতা নাই। হেঙেৰাবাৰী অঞ্চলৰ ভাৰঘৰ এটাত আছিলো।) তাৰ হাতত ধৰি কম্পিউটাৰৰ কিবাকিবি কাম শিকাই দিছিলো। এটা সময়ত সি হোমেন বৰগোহাঞি ছাৰৰ অধীনত কাম এটা পালে। তাৰ আগ্ৰহ আৰু কৰ্মদক্ষতাৰ কথা ছাৰে ভালদৰেই জানিছিল আৰু তাক খুব ভাল পাইছিল। আনকি ছাৰে তাক ছাৰৰ বাসভৱনলৈ প্ৰায়ে মাতি নি (সকলোৰে ছাৰৰ বাসভৱনলৈ যোৱাৰ কথা ভাবিবই নোৱাৰে) তাৰ অভাৱ-অভিযোগৰ বুজ লয় আৰু পাৰ্যমানে সহায় কৰে। আনকি জাৰৰ দিনত ছাৰে নিজ হাতে তাক জেকেট পিন্ধাই দিয়া কথাটোও মই ভালদৰেই জানো। ছাৰে ইমান মৰম কৰাৰ পাছতো ঘটনা এটা ঘটিল। আন এখন কাকতৰ পৰা তালৈ ‘অফাৰ’ এটা আহিল যে সেই কাকতখনে তাক বৰ্তমানতকৈ বেছি দৰমহা দিব! তাক দৰমহাৰ পৰিমাণটোৰ কথাও ক’লে। সি বৰগোহাঞি ছাৰক কথাটো নোকোৱাকৈয়ে সেই কাকতখনত ‘জইন’ কৰিলেগৈ। কিন্তু তাৰ পাছতহে আচল সমস্যাটোৰ সৈতে সি মুখামুখি হ’ল। তাক যিমান দৰমহা দিব বুলি কৈছিল, সিমান দৰমহা তাক নিদিয়া হ’ল কাকতখনে। সি নিৰূপায়। বৰগোহাঞি ছাৰকো কথাটো ক’ব নোৱাৰে! যিহেতু সি তেখেতক নোসোধাকৈয়ে ওলাই আহিছিল! তথাপি সি উপায় নাপায় বৰগোহাঞি ছাৰত কল কৰি তাৰ ভুল স্বীকাৰ কৰি সকলো কথা ক’লে। পোনতে ছাৰে তাক কিছু গালি পাৰি ল’লে। তাৰ পাছত ক’লে ‘কিবা এটা কৰিম। চিন্তা নকৰিবি।’ ছাৰে সেই কাকতখনৰ সম্পাদকলৈ ফোন কৰি ক’লে যে যিজন ল’ৰাক বন্দৱস্ত মতে দৰমহা দিয়া নাই, তাক যদি বন্দৱস্ত কৰা মতে দৰমহা দিয়া নহয়, তেন্তে তেওঁ অকলে গৈ তেওঁলোকৰ কাৰ্যালয়ৰ সন্মুখত ধৰ্ণাত বহিব! গতিকে কি কৰাটো ভাল ভাবি চাব লাগে! ছাৰৰ ফোন পোৱাৰ পাছতে সেই ভাইটিজনৰ দৰমহা বঢ়াই দিয়া হ’ল!

সাধাৰণ ল’ৰা এটাৰ কাৰণে ছাৰে প্ৰতিষ্ঠান এটাৰ দুৱাৰমুখত অকলে ধৰ্ণাত বহিব বুলি কোৱা কথাটো নিশ্চয় সৰু কথা নহয়।

এতিয়া কথা হ’ল, সেই ভাইটিজনে ছাৰক একপ্ৰকাৰ ‘গাড্ডাৰি’ কৰি ওলাই অহাৰ পাছতো কিন্তু ছাৰে তেওঁৰ অহিত চিন্তা কৰা নাছিল। (এই কথাটো ঠিক, বেলেগ মানুহ হোৱা হ’লে হয়তো এনেধৰণৰ ল’ৰাৰ ফোনেই ৰিচিভ নকৰিলেহেঁতেন!) এয়াই আছিল--- হোমেন বৰগোহাঞি। হোমেন বৰগোহাঞি ছাৰ।

ছাৰৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰিলো। ■■

# স্বৰ্গীয় হোমেন বৰ গোহাঞিদেৱলৈ শ্ৰদ্ধাৰ্ঘ

**লাৱণ্য গগৈ**
খুমটাই, গোলাঘাট

সাগৰ সম বিশাল ব্যক্তিত্ব তোমাৰ,
হিমালয় সম ওখ কীৰ্তিত্ব আছে যাৰ,
অসমীয়া সাহিত্যকানন ও সাংবাদিক
জগতৰ এক উজ্বল নক্ষত্ৰ তুমিয়েই,
তোমাৰ আলোকতে জ্ঞানৰ মুকুতা বিচাৰি,
বাট বুলিছিল কতনো অনুজ অগ্ৰজে।

বিন্দুৰ পৰা সিন্ধুলৈ অসীম যাত্ৰা তোমাৰ,
জীৱনৰ ভাজে ভাজে সময়ে ল'লে গতি,
সৃষ্টিৰ হৃদয়ৰ পৰা নিগৰিত হোৱা অফুৰন্ত সম্ভাৰক
বিলাই দিলা সঁচা মানুহৰ হৃদয়ে হৃদয়ে,
অন্ধ জনেও য'ত বিচাৰি পাইছিল
জীয়াই থকাৰ এঁকুকি সম্বল।
দশোদিশে বিয়পি আছে আজিও তোমাৰ,
সাহিত্য সংস্কৃতিৰ খ্যাতিৰ উজ্বল সুবাস।
যুগ স্ৰষ্টা হে পণ্ডিত প্ৰৱৰ, এটা যুগৰ অবসান ঘটিল,
পুৱাৰ সূৰুযৰ ৰ'দ কাঁচিয়লিত বহি,
জিকমিক পোহৰতে সঁচা প্ৰেমক সাৱতিলৈ,
অসমীয়া জাতিৰ সত্বাক নিঠৰুৱা কৰি,
ঠিকনাবিহীন অজান ঠাইলৈ গ'লাগৈ আতঁৰি।
তোমাৰএই মহাপ্ৰয়াণত স্তব্ধ আমাৰ হৃদয়,
পবিত্ৰ আন্তৰিকতাৰে তোমাৰ চৰণত,
জনাইছোঁ শতকোটি প্ৰণাম ও গভীৰ শ্ৰদ্ধাৰ্ঘ। ■■

# অসমীয়া সমাজ জীৱনৰ দীপ্তিময়ী জ্যোতিষ্ক হোমেন বৰগোহাঞি দেৱৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি

**বন্তি বৰা**

সম্পাদক, গোলাঘাট জিলা সাহিত্য সভা

সম্ভৱতঃ পৃথিৱীৰ সেইজন ব্যক্তিয়েই সকলোতকৈ ধনী আৰু সবাতোকৈ শক্তিশালী, যাৰ অন্তৰত থাকে প্ৰচণ্ড আত্মবিশ্বাস, সততা আৰু জ্ঞানৰ জ্যোতিৰে উজ্জলি থকা মুখমণ্ডল। তেনে এক ব্যক্তিত্বৰ অধিকাৰী আছিল সমগ্ৰ অসমবাসীৰ অতি শ্ৰদ্ধাৰ প্ৰথিতযশা সাহিত্যিক, অসম সাহিত্য সভাৰ সভাপতি, সাংবাদিক, সমালোচক, কবি, গল্পকাৰ হোমেন বৰগোহাঞি দেৱ। তেখেতে জীৱনজোৰা অধ্যৱসায় আৰু প্ৰজ্ঞাৰ সাধনাৰে নিজক শক্তিশালী ব্যক্তিত্বৰে গঢ়ি তুলিছিল। তেখেতৰ যি সততা আৰু স্পষ্টবাদিতা আছিল সেয়া নৱ প্ৰজন্মই অনুকৰণ কৰা উচিত। অৰ্থাৎ শিকা উচিত।

হোমেন বৰগোহাঞি দেৱে তেখেতৰ সাহিত্যৰাজিৰ জৰিয়তে অসমীয়া পাঠক সমাজক বিশ্ব সাহিত্যৰ লগত চিনাকি কৰি দিবলৈ প্ৰতিক্ষণে চেষ্টা কৰি গ'ল। তেখেতৰ গ্ৰন্থ সমূহ অধ্যয়ন কৰিলে আমি সততে পাওঁ বিশ্ব সাহিত্যৰ যশস্বী সাহিত্যিক, দাৰ্শনিক সকলৰ নাম আৰু জীৱনাদৰ্শ। বিভিন্ন ৰচনাৰ মাধ্যমেৰে তেখেতে বহুজন পাঠকৰ মানসিক পৰিপুষ্টি সাধন কৰিব পাৰিছিল। প্ৰকৃততে তেখেত আছিল ব্যতিক্ৰমী ব্যক্তিত্বৰ অধিকাৰী। তেখেতৰ ৰচনাৰাজিও গতানুগতিক নাছিল। নিত্য নতুন সৃষ্টিৰাজিয়ে সকলোকে আকৰ্ষণ কৰিব পাৰিছিল। নতুন নতুন ভাৱনাই তেখেতৰ মনত দোলা দিছিল আৰু শক্তিশালী কলমত তাৰেই স্বতস্ফূৰ্ত প্ৰকাশ ঘটিছিল। নতুনত্বক অগ্ৰাধিকাৰ দিয়া এই গৰাকী মহীৰূহে "কিতাপ পঢ়াৰ আনন্দ" নামৰ গ্ৰন্থ খনৰ দ্বাৰা সকলোকে কিতাপক ভাল পাবলৈ শিকাইছিল। পিতা-পুত্ৰ, অস্তৰাগ, সুবালাকে ধৰি তেখেতৰ গ্ৰন্থ সমূহে সকলোৰে মন জিনিবলৈ সক্ষম হৈছিল।

মুক্ত আৰু আধুনিক মনৰ লেখক হোমেন বৰগোহাঞি দেৱৰ গল্প সংকলন "প্ৰেম আৰু মৃত্যুৰ কাৰণে"ৰ প্ৰতিটো গল্পই মানৱ জীৱনৰ প্ৰকৃত স্বৰূপটো দাঙি ধৰিছে। অসমীয়া সাহিত্য জগতৰ দীপ্তিময়ী জ্যোতিষ্ক বৰগোহাঞি দেৱে পঞ্চাশৰ দশকৰ পৰা বৰ্তমানৰ মৃত্যু পৰ্যন্ত যিমান খিনি সৃষ্টি অসমীয়া সাহিত্যলৈ আগবঢ়ালে সেই খিনি অসম আৰু

অসমীয়াৰ বাবে দিক দৰ্শক হৈ ৰ'ব।

জীৱনৰ ৮৯টা বসন্ত গৰকা এইগৰাকী চিৰ তৰুণ সময়ৰ সদ্ব্যৱহাৰৰ ক্ষেত্ৰত সদায় অতি সচেতন আছিল। তেখেতে "পাঠকৰ টোকাবহী"ত এনেদৰে উল্লেখ কৰিছে---তেওঁ ৰাছিয়াৰ বিখ্যাত সুৰকাৰ চাইকভস্কিক নকল কৰি তেওঁ কেইবছৰমানৰ পৰা মানুহক লগ কৰা সময় মাত্ৰ দুটা দিন ধাৰ্য কৰি লৈছিল। তেওঁৰ যুক্তি হ'ল সকলো কামৰে নিৰ্দ্দিষ্ট সময় থাকিব লাগে। কিয়নো লেখক সকলে লেখোতে নিৰ্দ্ধাৰিত বিষয়ৰ ওপৰত গভীৰ মনোনিবেশ দিব লগা হয়। এনে সময়ত মাজতে উঠি গৈ কাৰোবাক লগ কৰিব লগা হ'লে ভাবৰ গতিত যতি পৰে। তেখেতৰ গ্ৰন্থ সমূহৰ পৰা এনেবহু গুৰুত্বপূৰ্ণ কথা শিকিব পাৰোঁ। অৱশ্যে তেখেতৰ কিতাপৰ বিশাল সাগৰত বিচৰণ কৰাটো সম্ভৱ নহয়। তথাপি যি কেইখন ইতিমধ্যে পঢ়িছোঁ তাৰ পৰা ধাৰণা এটা কৰিছোঁ।

তেখেতে বিশ্বাস কৰিছিল পৰিশ্ৰমেই হ'ল সকলো মূল্যৱান বস্তুৰ একমাত্ৰ মূল্য। যিসকল লোকক আমি আটাইতকৈ মহৎ বুলি জ্ঞান কৰোঁ, সেই সকলৰ সহজাত প্ৰতিভা থাকিলেও অক্লান্ত পৰিশ্ৰম আৰু অধ্যৱসায়ৰ অবিহনে তেওঁলোকে নিজৰ সাধনাত সিদ্ধি লাভ কৰিব নোৱাৰে। ইত্যাদি অনেক বহুমূলীয়া কথাৰে অসমীয়া জাতিক তেখেতে উদ্বুদ্ধ কৰি ৰাখিবলৈ চেষ্টা কৰিছিল।

হোমেন বৰগোহাঞি দেৱ কেৱল ব্যক্তি নাছিল আছিল এক বিশাল অনুষ্ঠান। বটবৃক্ষৰ দৰে অসমীয়া জাতিক ছাঁ দি থকা ব্যক্তি গৰাকীৰ মহাপ্ৰয়াণত অসমীয়া সমাজ অভিভাৱকহীন হৈ পৰিল। বৌদ্ধিক সমাজতো বিশাল শূন্যতা সৃষ্টি কৰি বৰ্ণময় যুগৰ অৱসান ঘটিল।

বৰ্তমান সময়ত সমাজ জীৱনত তেখেতক বহুত প্ৰয়োজন আছিল বুলি মোৰ অনুভৱ হয়। অনুভৱ হয় পৰম সৌভাগ্য হ'লেহে কোনো এটা জাতিৰ জীৱনলৈ এনে মহান ব্যক্তিৰ আগমন হয়। ভগৱান প্ৰেৰিত এই সকল ব্যক্তিৰ প্ৰতি অসমীয়া জাতিয়ে অৱহেলা কৰিলে জাতিটোৰে বিস্তৰ ক্ষতি হ'ব।

সততা আৰু কৰ্মনিষ্ঠাৰ প্ৰতিভূ বৰগোহাঞি ডাঙৰীয়াই অসমীয়া সাহিত্য আৰু সাংবাদিক জগতত নিজাকৈ যি স্বৰ্ণিল বাট কাটিবলৈ সক্ষম হ'ল তাৰ যোগেদিয়েই তেখেতৰ মহাজীৱনৰ মহাপ্ৰয়াণ হ'লেও উত্তৰ পুৰুষে সদায় মনত ৰাখিব।

শেষত,

হে মহান, আপোনাৰ স্বৰ্গীয় আত্মা অনন্ত জনৰ অনন্ত জ্যোতিৰ লগত বিলীন হৈ পৰম্পদ লাভ কৰক তাকে কামনা কৰি আপোনাৰ চৰণত এগৰাকী গুণমুগ্ধ হিচাপে অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ। ■■

# আনন্দ আৰু বেদনাৰ সন্ধান দিয়া যুগদ্ৰষ্টা জনৰ মহাপ্ৰয়াণত ...

**গৌতম বৰদলৈ**
ডিব্ৰুগড়

হোমেন বৰগোহাঞি চাৰৰ সাহিত্য আৰু চিন্তন আমাৰ কৈশোৰ আৰু যৌৱনৰ সন্ধিক্ষণৰ সেই অনুসন্ধিৎসু অধ্যায়ত এজোপা ক্ৰমবৰ্দ্ধমান গছৰ গুৰিত দিয়া এমুঠি এমুঠি কেচুসাৰৰ দৰে আছিল। সেই সাৰ দেহত সোমোৱাই আমি গছবিলাক ক্ৰমশঃ বাঢ়ি আহিছিলোঁ। তেখেতৰ লেখাবিলাকে আমাৰ মন মগজুত তোলপাৰ লগাইছিল। আগবাঢ়িছিলোঁ আমি আনন্দ আৰু বেদনাৰ সন্ধানত। তেখেতৰ পৰা সাহিত্য সৃষ্টিৰ বাবেও অনুপ্ৰাণিত হৈছিলোঁ।

তেখেতে সূত্ৰধাৰ নামৰ আটক ধুনীয়া আলোচনীখনৰ সম্পাদনা আৰম্ভ কৰাৰ পিছত সেই আলোচনীখনলৈ কলিকতাত প্ৰযুক্তিৰ শিক্ষা গ্ৰহণ কৰি থকাৰ মাজতে কবিতা পঠাইছিলোঁ। পিছত চীন দেশৰ পৰাও সাতসৰীলৈ কবিতা আৰু লেখা পঠাইছিলোঁ। মই পঠিওৱা প্ৰতিটো লেখাই তেখেতে প্ৰকাশ কৰিছিল। সেই লেখা প্ৰকাশিত আলোচনীবিলাকৰ কিছুমান সংখ্যা জীৱনৰ বাটত বাট বুলোতে লগত লৈ ফুৰিছিলোঁ। ইয়াৰ পৰা বহু দূৰৈত চীনদেশৰ এটি বন্ধ এপাৰ্টমেন্টৰ এটি ৱাৰ্ডৰোবত তেনে বহুকেইটা আলোচনীৰ সংস্কৰণ এবছৰতকৈও অধিক সময় লৰচৰ নকৰাকৈ শুই আছে। মহামাৰীয়ে সেই আলোচনীৰ পৃষ্ঠাবিলাক লুটিয়াই চাওঁ বুলিলেও অনিশ্চিত কাললৈ সুযোগ নিদিয়ে।

আজিকালি বহুতো যুৱক-যুৱতীক যেনেকৈ হাই ভল্টেজ নেতাবিলাকে প্ৰভাৱিত কৰে, তেনেকৈ আমাক প্ৰভাৱিত কৰিছিল বৰগোহাঞি চাৰ আৰু ড: ভবেন্দ্ৰ নাথ শইকীয়া চাৰৰ লেখাবিলাকে। আলোচনী আৰু কিতাপ চাইকেল মাৰি মাৰি বজাৰলৈ বা বাছ ষ্টেণ্ডলৈ গৈ কিতাপৰ দোকানত বিচাৰি বিচাৰি পঢ়িবলৈ আনিছিলোঁ আৰু পঢ়ি পঢ়ি পখীৰাজ ঘোঁৰাৰ পিঠিত উঠি উৰা মাৰিছিলোঁ আকাশলৈ। বৰগোহাঞি চাৰৰ মৃত্যুৰ বতৰাই জীৱনত আকৌ এবাৰ বেদনাৰ সন্ধানৰ সুযোগ দিলে। বুকুৰ একোণত ঘণীভূত হ'ল এমুঠি শোক। তেখেতৰ আত্মাৰ কথা নো কি ক'ম? তেখেত আছিল মহাত্মা, তেখেতৰ সৃষ্টি অজৰ অমৰ। চিৰশান্তিৰ কথানো কি? জীৱনকালত হেজাৰ তৰুণ-তৰুণীক জীৱনৰ অৰ্থ বিচাৰিবলৈ উদ্বেলিত কৰিব পৰাটোৱেই প্ৰশান্তি নহয় জানো? স্বৰ্গগামী বুলিও নকওঁ। স্বৰ্গ জানো আছে? পৃথিৱীত এজন বিপ্লৱী আছিল। এজন যুগদ্ৰষ্টা দাৰ্শনিক আছিল। আজিৰে পৰা নাই। ■■

# যুগদ্ৰষ্টালৈ সশ্ৰদ্ধ প্ৰণাম

**মহাবীৰ প্ৰসাদ আগৰৱাল**
বোকাখাত

২০১৫ চনৰ ১৪ অক্টোবৰ। অসমৰ ইতিহাসৰ এটা সোণোৱালী দিন। সেই দিনটোতেই অসমৰ প্ৰথিতযশা কথাশিল্পী হোমেন বৰগোহাঞিয়ে মুকলি কৰিছিল কাজিৰঙা জাতীয় অৰ্কিড উদ্যানৰ অনবদ্য সংযোজন অৰ্কিড গেলাৰী। আন বহুজনৰ লগতে ময়ো বৰগোহাঞি চাৰক কাষৰে পৰা পাইছিলো। ব্যক্তিগত ভাৱে উদ্যানখনৰ নিৰ্মাণত আমিও জড়িত আছিলো। আমি কৰা কামৰ প্ৰশংসা কৰি চাৰে কাষলৈ মাতি 'ভাল হৈছে' বুলি কৈছিল। চাৰৰ এযাৰ কথাই আমাক বহুত সাহস আৰু প্ৰেৰণা যোগাইছিল। তদুপৰি, চাৰক অন্যান্য বহু অনুষ্ঠানত দেখিছো যদিও কথা পতাৰ সুবিধা পোৱা নাছিলো। ঢকুৱাখানাৰ চাৰিকড়িয়া নদীৰ পাৰত জন্ম গ্ৰহণ কৰা শৈশৱ, কৈশোৰ প্ৰকৃতিৰ মাজতেই অতিবাহিত কৰা বৰেণ্য সাহিত্যিক গৰাকীয়ে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি গ'ল।

জন্ম হ'লে মৃত্যু আছেই। এই চিৰসত্য মানি চাৰেও জীৱন নাট সামৰিলে।

ওঁম শান্তি ।। ■■

# কলমজীৱী মানুহ তেওঁ, অৱসাদ জয় কৰাই যাৰ লক্ষ্য আছিল!

**বুবুল শৰ্মা**

অৱসাদ জয় কৰাৰ দৃঢ় সংকল্প লৈ অসমৰ অন্যতম গদ্য শিল্পীজনে, অন্য এখন অদেখা জগতলৈ ঢাপলি মেলিলে। যাওক তেখেতকো একান্তভাৱে জিৰণিৰ প্ৰয়োজন! কিন্তু যোৱাৰ আগেয়ে আমাক দি থৈ গ'ল - সৃষ্টিৰ বিশাল ভাণ্ডাৰ, মাণিক-মুকুতা! তাতেই তেওঁ ক্ষান্ত থাকিল জানোঁ! বহু অসমীয়া কলমজীৱীৰ সৃষ্টি কৰি থৈ গ'ল! ইয়াতকৈ মহৎ কাৰ্য আৰু কিবা থাকিলনে?

সীমাহীন পৰিশ্ৰমী মানুহজনে সৰুতেই - এজন যুগোশ্লাভ খেতিয়কৰ ছবিখন দেখি আচৰিত হৈছিল। ছবিখনৰ বৰ্ণনাত লিখা হৈছিল - "এই আশী বছৰীয়া খেতিয়কজনে এতিয়াও পথাৰত হাল বায়।" হোমেন বৰগোহাঞি চাৰে লিখিছিল - "যুগোশ্লাভ খেতিয়কজনৰ মুখতো বয়সে হাল বাই ফাল ফাল কৰিলে। কিন্তু তেওঁৰ মুখৰ অসংখ্য বলিৰেখা ভেদ কৰি ওলাই আহিছিল প্ৰাণ-প্ৰাচুৰ্যৰ প্ৰতীক এমোকোৰা হাহিঁ।"

প্ৰিয় বৰগোহাঞি চাৰৰ মুখতো দেখিছিলোঁ - সেই প্ৰাণ-প্ৰাচুৰ্যৰ হাঁহি! অসংখ্য বলিৰেখা ভেদ কৰি ওলাই অহা হাঁহিবোৰে জাতিটোৰ ভাষা-সাহিত্য-শ্ৰমত প্ৰাণ-প্ৰাচুৰ্যৰ বোৱাই উৰ্বৰ কৰি থৈ গ'ল মানুহৰ মন আৰু হৃদয়!

চাৰৰ দুটামান কথা আজিৰ সময়ত অতি তাৎপৰ্যপূৰ্ণ। তেখেতৰ মতে জীৱন মানে মৃত্যুৰ বাবে দীৰ্ঘতম প্ৰতীক্ষা নহয়। নহয় বাৰ্ধক্যৰ যন্ত্ৰণা। চাৰৰ মতে আয়ুস বৃদ্ধি অভিশাপ নহৈ আশীৰ্বাদ হ'বলৈ হ'লে মানুহৰ প্ৰতি মানুহৰ দৃষ্টিভংগীত আমূল পৰিৱৰ্তন ঘটাব লাগিব। চাৰৰ এই দৃষ্টিভংগী আজিৰ প্ৰেক্ষাপটত বিচাৰ্য বিষয়।

চাৰে অহৰহ কাম কৰিছিল কলমেৰে। সেই কামৰ আঁৰত আছিল অৱসাদ জয় কৰাৰ দৃঢ় সংকল্প। চাৰৰ এই অৱসাদ জয় কৰিব খোজা দৃষ্টিভংগী মই মোৰ জীৱনত বহুজন মানুহ লগ পাইছোঁ। তেওঁলোকো মোৰ বাবে অনন্য, উৎসাহ-উদ্দীপনাৰ প্ৰেৰণা।

কৰ'না মহামাৰীক জয় কৰিব লাগিব। জয় কৰিব পৰা যাব। জীৱনৰ কঠিনতম যুঁজবোৰ চাৰে অকলেই যুঁজি বিজয়ী হৈছিল। আপুনিও এইবাৰ বিজয়ী হ'ব। বৰগোহাঞি চাৰে সহাৱস্থান কৰক অসমৰ প্ৰতিজন মানুহৰ হৃদয় আৰু পৰিশ্ৰমৰ মাজত! এটোপাল অশ্ৰু অঞ্জলি!! চাৰ আপুনি জীয়াই থাকিব জীৱনৰ বিশাল শব্দ ভাণ্ডাৰৰ মাজত! ■■

# স্বপ্নৰ ৰেলগাড়ীত হোমেন বৰগোহাঞি

**ডেনী নাথ**

(১)

২০০৪ চনঃ

ভৰ যৌৱনৰ সময়। অজুহাত এটা পালেই গুচি যাওঁ। হৃদয়ৰ পৰা কবিতা লিখো বাবেই নেকি মোৰ প্ৰত্যেকটো কবিতা মুখস্থ মাতিব পাৰো। ফ'ন নহয় এটা এছ এম এছ পঠাইছে প্ৰণয়দাই। কাব্যগ্ৰন্থ উন্মোচনৰ লগতে এখনি কবি সন্মিলন য'ত উপস্থিত থাকিব প্ৰজ্ঞাৰ সাধক কবি, কথা সাহিত্যিক হোমেন বৰগোহাঞি আৰু কবি কৰবী ডেকা হাজৰিকা। উজনিমুৱা ৰেলগাড়ীত আমি পাঁচজন উঠিছোঁ। উজ্জল পাওগাম, ৰঞ্জিত গগৈ, পাৰভিজ হুছেইন আৰু গিটাৰিষ্ট ৰূপম চেতিয়া বৰা। কথাৰ মাজে মাজে ৰূপমদাৰ পাশ্চাত্য সংগীত। ... সেউজীয়া চাহ বাগিছাবোৰ চাই গৈছো। এটা সময়ত আমি ডিব্ৰুগড় ৰেলৱে ষ্টেচন পালো। চিধাই ব্ৰহ্মপুত্ৰৰ পাৰলৈ গ'লো আৰু মহাবাহুৰ বিশালতা চাই আপোন-পাহৰা সকলো। নিৰ্দিষ্ট সময়ত লিটল ফ্লাৱাৰ হোটেলত চাদত অনুষ্ঠান আৰম্ভ হৈছে। ড° কুলেণ্ডু পাঠক চাৰে ড° প্ৰণয় ফুকনৰ 'মোৰে শপত টেলিফ'ন নকৰিবা' কবিতাৰ কিতাপখন উন্মোচন কৰা হ'ল। কিছুসংখ্যক কবিয়ে কবিতা পাঠ কৰাত পিছতে মোক কবিতা পাঠ কৰিবলৈ আমন্ত্ৰণ জনালে। মই 'মাজুলী'লৈ কবিতা পাঠ কৰোতে গিটাৰত সংগত কৰিছিল ৰূপমদাই। বৰগোহাঞি চাৰে মোৰ কবিতা পাঠক প্ৰশংসা কৰি কৈছিল। গুৱাহাটীলৈ আহিলে মোক লগ কৰিবা।

(২)

২৮ জানুৱাৰী ২০০৭ চন

প্ৰায় তেইছ বছৰৰ পিছত বৰগোহাঞি ছাৰ মাজুলীলৈ আহিছে। মাজ ৰাতিলৈকে কোলাহলপূৰ্ণ হৈ আছিল আৰ্বত্ত ভৱন কাৰণ সেইদিনা পঞ্চায়ত নিৰ্বাচনৰ ফলাফল দিছিল। প্ৰিয় মানুহজনক ইচ্ছা কৰিও সেই ৰাতি লগ কৰিব নোৱাৰিলো। পুৱা গৈ উপস্থিত হ'লো। তেওঁক ভালপোৱা অজস্ৰ গুণমুগ্ধই ঘেৰি আছে। মৰমৰ টোপোলা ইতিমধ্যে কোঠাটোত ভৰি আছে। পুৱাৰ জলপানৰ সময়। মাজুলীৰ ম'হৰ আঠা দৈ, কোমল চাউল ইত্যাদি। ছাত্ৰ-সংগঠনৰ বিষয়-ববীয়া আৰু অন্যান্য লোকক অলপ বাহিৰলৈ যাবলৈ দি ক'লে Breakfastৰ সময়ত- 'মোক এই নৰকৰ পৰা জেথাৰ স্বৰ্গলৈ লৈ যোৱা। মই পোনছাতেই হ'ব ছাৰ বুলি কৈছিলো যদিও তেখেতে সুধিছিল যিহেতু তুমি চাকৰি নকৰা প্ৰতি ৰাতি

তোমাৰ লা মেজু দি আনন্দ চাঙঘৰত কিমান লোৱা। চাৰ নাছোৰবন্দা পইছা ল'বই লাগিব। এনেকৈ কথা-বাৰ্তা হৈ ওলাই আহি মোৰ চাঙঘৰটিত নতুন কাপোৰ-কম্বল আদিৰে আটকধুনীয়াকৈ সজাইছো। আবেলি ৪-৩০ বজাত লা খুজোঁ ডি আনন্দত উপস্থিত হ'লহি। কেতিয়া কি লাগিব, আগন্তুক দুদিন কি কি কাৰ্যসূচী আছে সেইবোৰ কৈ মোক ওলাই যাবলৈ ক'লে আৰু ৭.৩০ বজাত পোৱাকৈ মাতিছিল। আচলতে ছাৰক মাজুলীৰ বান-গৰাখহনীয়াৰ ওপৰত বক্তৃতা দিবলৈ আমন্ত্ৰণ জনাইছিল।

সন্ধ্যা নামি আহিছে। উঁইচিৰিঙাৰ মাতত মাথোঁ আমি দুয়ো ফৰাচী অভিযন্তাই সজাঁ ছাঙঘৰটিত। কল্পনা কৰক আমি কি কৰিব পাৰোঁ। ছাৰে নিজে বেগৰ পৰা BP বটল (Whiskhy) এটা উলিয়াই ক'লে তুমি বাকা 30 ml আৰু 60 ml তুমি ডেকা ল'ৰা অলপ বেছিকৈ খালেও একো নহয়। তোমাক ডিব্ৰুগড়ত কবিতা পাঠ কৰোঁতে টোকাবহী লোৱা নেদেখিলো আজি মোক কিমানটা কবিতা শুনাবা। মই ক'লো ছাৰ মই লিখা প্ৰতিটো কবিতা মুখস্থ মাতিব পাৰোঁ এইকাৰণে যে বাতৰি কাকত বা সাহিত্য আলোচনীলৈ পঠোৱাৰ আগতে বহুবাৰ পঢ়ো। সেইদিনা প্ৰায় ২৫-৩০ টা মনে কবিতা পাঠ কৰি শুনাইছিলো এঘন্টীয়া আড্ডাত। ছাৰে দুপেগতকৈ বেছি খোৱা নাছিল আৰু নিৰ্দিষ্ট সময়ত ৰাতিৰ আহাৰ গ্ৰহণ কৰিছিল। আহাৰ গ্ৰহণ কৰাৰ সময়ত দুজন ফৰাচী পৰ্যটকক লগ পাই বিভিন্ন প্ৰশ্ন কৰিছিল। ইতিমধ্যে এই খৱৰ বিয়পি পৰিছিল যে ডেনী গামত চাঙঘৰত আমাৰ সকলোৰে প্ৰিয় সাহিত্যিকজন আছেহি। দ্বিতীয় দিনাৰ আবেলিলৈকে কবিতাৰ অনুষ্ঠান অনুষ্ঠিত কৰিলো য'ত মাজুলীৰ প্ৰায়সংখ্যক কবিয়ে কবিতা পাঠ কৰিছিল।

৩০ জানুৱাৰী সন্ধ্যাটিৰ আয়োজন মোৰ আছিল। ছাঁইমদ আৰু লোকেল কুকুৰাৰ ভাজি। আজি কবিতা নহ'ব। আজি মোক কোৱা পৰ্যটনৰ বিষয়ে কেনেকৈ আকৃষ্ট হ'লা আৰু কেনেকুৱা অভিজ্ঞতা হৈছে। এটা কথা ঠিক যে তুমি অতি ভাগ্যবান মানুহ গোটেই পৃথিৱীৰ মানুহৰ স'তে তোমাৰ জেগাতেই বহি কথা পতাৰ সুযোগ লাভ কৰিছা।

(৩)

তেতিয়া মোক নতুন দিল্লীৰ পৰা দ্বিতীয় বাৰৰ বাবে কাজিৰঙালৈ বদলি কৰিছিল। দিল্লীত থকা সময়ছোৱাত প্ৰায় দিল্লীহাটলৈ গৈছিলো। সেই Concept টো ভাল লাগিছিল। তদানীন্তন উপায়ুক্ত নিতিন খাড়ে ছাৰৰ সহায়ত বন্ধু সাংবাদিক ধ্ৰুৱজ্যোতি সাহা, বিতুপন মাজি, ৰাজেশ বেলৱাৰৰ উদ্যোগত কাজিৰঙাত আমি “ৰং সন্ধ্যা” অনুষ্ঠানটি আৰম্ভ কৰোঁ। সংগ্ৰামী নেতা অখিল গগৈক মই আগৰ পৰাই চিনি পাওঁ। এদিন তেখেতে মোৰ লগত বহি তেখেতৰ পৰিকল্পনাৰ বিষয়ে ক'লে যে জাতীয় অৰ্কিড পাৰ্ক এখন খুলিম তই সহায় কৰিব লাগিব। মই তেওঁক তিনিটা সহায় কৰিলো ১) Eco tourism Management

কেনেকৈ কৰে তাৰ এখন গুৰুত্বপূৰ্ণ কিতাপ ২) ছাইমদ বনাওতে লগা বনৌষধি পাতবোৰৰ তালিকা। ৩) বিনা বেতনে এমাহ তেখেতৰ খাদ্যত ৰেচিপি চোৱা। ২০১৫ চনত ১৪ অক্টোবৰ তাৰিখত "কাজিৰঙা জাতীয় অৰ্কিড পাৰ্ক" উদ্বোধন কৰিব প্ৰথিতযশা সাহিত্যিক হোমেন বৰগোহাঞিদেৱে। ছাৰৰ থকা ব্যৱস্থা কৰিছিল বৰগছ ৰিৰ্জটত অখিল গগৈয়ে। ছাৰে কিন্তু মই বনানীত থকাৰ কথা গম পাই পৰ্যটন নিবাসতে থকাৰ সিদ্ধান্ত লয় আৰু কেয়াৰ টেকাৰৰ দায়িত্বত ময়েই থাকিলোঁ। উক্ত দিনাই বন্ধু সাংবাদিক স্বপন নাথ আৰু উদ্যোগীক হৰি প্ৰসন্ন গগৈৰ সহযোগত Kaziranga Cyching Club ৰ যি Rood map সেইটোত বৰগোহাঞি ছাৰৰ দ্বাৰাই উদ্বোধন কৰা হয়। এদিনৰ পিছত বোকাখাত মিচিং সাহিত্য সভাৰ উদ্বোধন কৰি সন্মিলন আৰু গ্ৰন্থ উন্মোচন অনুষ্ঠানতো উপস্থিত আছিল বৰগোহাঞিদেৱ। সেইদিনা ছাৰৰ অলপ খং উঠিছিল। কবি সন্মিলন এখন কেনেকৈ পাতিব লাগে তুমি থকাৰ পিছতো! যি কি নহওঁক সেইদিনা মিনতি দলে বাইদেউৱে ছাৰৰ কাৰণে ছাইমদ আৰু হাঁহৰ মাংসৰ ব্যৱস্থা কৰিছিল।

(৪)

মাজে মাজে ছাৰে মোলৈ ফ'ন কৰে যে চানডুবিলে পৰিয়ালৰ সদস্যৰ স'তে যাম। দুবাৰমান কেনচেল হোৱাত পিছত এদিন ওলালগৈ ডাঙৰ পুত্ৰ অনিন্দ্য বৰগোহাঞি, বোৱাৰী আৰু নাতিনী। ছাৰক দেখা কৰিবলৈ আগতীয়াকৈ সাহিত্য সমালোচক বিপুল শৰ্মা উপস্থিত হয়।

৪ অক্টোবৰ ২০২০

প্ৰখৰ ৰ'দ। উজ্জল হাঁহিটি লৈ চানডুবিৰ পৰ্যটক নিবাসৰ প্ৰৱেশ কৰি চাৰিওফালে এবাৰ চকু ফুৰাই মোক প্ৰশংসা কৰিলে যে তোমাৰ দিনতে ল'জটো ধুনীয়া হৈ আছে। ছাৰে ক'লে তোমাৰ কাৰণে মই Beer আনিছো বুলি কৈ তিনিটা Sigma Beer ফ্ৰীজত ৰাখিলে। ইতিমধ্যে পুৰা গাহৰি আৰু খাহী মূৰ্গী ভাজি সাজু কৰি থোৱা হৈছে। চানডুবিত নৌকা বিহাৰ কৰিবলৈ নামোতে জেথিত হাতত ধৰিব খোজোঁতে কৈছিল মই বুঢ়া মানুহ নেকি সম্পূৰ্ণ ডেকা। আমি নাঁৱত ওপৰৰ বহি থাকোঁতে শুনিছিলো দুৰৈৰ পৰা সেইজন হোমেন বৰগোহাঞি ছাৰ নহয়নে, নাওঁ খন ওচৰলৈ লৈ যোৱা। ইয়াতকৈ জীয়াই থকাৰ কালত কি লাগে। ছাৰ কেতিয়াও অকৃতজ্ঞ নাছিল। লেখাৰ মাজেৰেই কৃতজ্ঞতা জ্ঞাপন কৰে। চানডুবিত গোটেই দিনটো উদ্যাপন কৰি সন্ধিয়া মেচেজ এটা পঠাইছিল এইবুলি Good evening Dani. I am very grateful to you for what you have done for us and i will remember it. HB. আমাৰ ৰেলগাড়ীখন নামেৰি অভয়াৰণ্যলৈকো যোৱাত কথা আছিল কিন্তু নহ'ল।■■

# হোমেন বৰগোহাঞি দেৱে বনাই খুওৱা সেই চাহকাপ......

**অচ্যুতকৃষ্ণ কলিতা**
গুৱাহাটী

হোমেন বৰগোহাঞি দেৱক লগ পোৱাটো অসমৰ সকলো শ্ৰেণীৰ মানুহৰ বাবে আগ্ৰহ আৰু গৌৰৱৰ বিষয়। এনে গৌৰৱৰ অধিকাৰী হোৱাটো জীৱনৰ এটি সময়ত হৈছিল। তেখেতৰ "কিতাপ পঢ়াৰ আনন্দ" গ্ৰন্থৰ জৰিয়তে তেখেতে দিয়া অনাবিল জগতখনত পৰিভ্ৰমণ কৰাৰ সুযোগ পাইছিলোঁ। জন্মসূত্ৰে ঢকুৱাখনাৰ হোৱা হেতুকে তেখেতৰ কিছু অঙহী বঙহীক সততে লগ পাইছিলোঁ। তেখেতসকলৰ মুখাবয়বত হোমেন বৰগোহাঞি দেৱৰ মুখাবয়ব বিচাৰি পাইছিলোঁ। তেখেতৰ লেখনিত প্ৰাণ পাই উঠা ঢকুৱাখনাৰ ম'হঘূলি চাপৰিত বিচাৰি ফুৰিছিলো তেখেতৰ শৈশৱক। প্ৰতিটো বালি চাপৰিত যেন হোমেন বৰগোহাঞি লুকাই আছে। গৰখীয়া গল্পটোৰ মাজত সন্ধিয়া গাৱলৈ গৰুৰ পাল লৈ অহা গৰখীয়াসকলক বিচাৰি পাইছিলো।

বিশ্ববিদ্যালয়ৰ জীৱন পাৰ কৰাৰ পিছত এদিন হঠাতেই তেখেতক লগ পোৱাৰ সৌভাগ্য হ'ল। বন্ধু অৰূপম দাসে দুপৰীয়া মোক ফোন কৰিলে যে " আজি আবেলি ৫ বজাত বৰগোহাঞি চাৰক লগ পাবলৈ যাম।" ইমান এজন হেঁপাহৰ মানুহক লগ নকৰোঁ বুলি কোৱাৰ প্ৰশ্নই নাই। আমি গৈ পাওঁতে ৫ বাজি দহমিনিট পাৰ হৈছে। তেখেতে ভিতৰলৈ মাতিলে যদিও গালিও পাৰিলে দহমিনিট দেৰি হোৱাৰ বাবে। সিদিনাই বুজিলোঁ তেখেতসকলৰ বাবে সময়ৰ মূল্য কিমান অপৰিসীম।

দ্বিতীয়বাৰ পুনৰ এবাৰ সুযোগ মিলিল সম্পূৰ্ণ ঘৰুৱা পৰিবেশত। ঢকুৱাখনাত স্থাপন কৰা হৈছে "হোমেন বৰগোহাঞি ন্যাস"। গৌৰৱৰ কথা আৰু উল্লেখ কৰিব বিচাৰিছোঁ এইয়ে যে তেখেতৰ জীৱনকালতে ঢকুৱাখনাত হোমেন বৰগোহাঞি ন্যাস গঠন কৰা হ'ল। সেই ন্যাসলৈ বৰগোহাঞি দেৱে তেখেতৰ সংগ্ৰহত থকা গ্ৰন্থ সমূহ আগবঢ়াবলৈ ইচ্ছা প্ৰকাশ কৰিলে। এইক্ষেত্ৰত ন্যাস সমিতিৰ ওপৰিও মন্ত্ৰী নৱ কুমাৰ দলে দেৱে আগভাগ লৈছিল। নৱ দাই অৰূপমক মতাই অনাৰ ওপৰিও আমাকো কিছু সহায় কৰি দিয়াৰ কথা কৈছিল। আমাৰ কামটো হ'ল কাৰ্টুন বিচাৰি আনি কিতাপবোৰ পেকিং কৰা। আমি তিনি

বন্ধু অৰূপম, মই আৰু কৰুণা বৰুৱা কামে কাজে লাগি গলো। মাজে মাজে খবৰ লবলৈ আহিল মন্ত্ৰী নৰ দাৰ সহায়ক প্ৰাঞ্জল। হোমেন বৰগোহাঞি দেৱে আমাৰ কাষতে বহি বিভিন্ন ধেমেলীয়া কথাৰে আমাৰ সঞ্জীৱিত কৰি ৰাখিছিল। মাজে মাজে কয় মই চাহ একাপ তোমালোকলৈ বনাই দিওঁ। দুবাৰমান বাধা দিয়াৰ পিছতো তেখেতে চাহ তৈয়াৰ কৰি আনিলে। প্ৰখ্যাত ব্যক্তি হোমেন বৰগোহাঞি দেৱে বনাই দিয়া চাহকাপ ধূলিময় হাতেৰেই মুখত লৈ ভাবিলো এইকাপ চাহ মোৰ জীৱনৰ স্মৰণীয় হৈ ৰব। সেইদিনা বেলেগ এজন হোমেন বৰগোহাঞিক আবিস্কাৰ কৰিলোঁ। তেখেতৰ মহাপ্ৰয়াণৰ বাতৰি পোৱাৰ পিছত চাহ একাপ খাবলৈ লৈওঁ যেন সেইকাপ চাহৰ সুঘ্ৰাণ পুনৰ এবাৰ মুখত লাগিল। ■■

---

**বৃহত্তম সত্তাৰ অধিকাৰী**

# হোমেন বৰগোঁহাঞি

**প্ৰভু কুটুম**
বোকাখাত

হোমেন বৰগোঁহাঞি! এই "বৃহত্তম সত্তাৰ" বিষয়ে মই প্ৰথমবাৰ জানিবলৈ সক্ষম হৈছিলো নৱম শ্ৰেণীত থাকোঁতে। তেতিয়া ২০০১চন। মোৰ মামীৰ ছোৱালীজনীয়ে প্ৰথমবাৰ তেখেতৰ বিষয়ে কৈছিল। তেতিয়াৰে পৰাই তেখেতক মোৰ প্ৰিয় মানুহজনৰ শাৰীত ৰাখিছো। হাজাৰ বছৰীয়া অসমৰ সাহিত্যজগতত যে তেখেতৰ স্থান এক সুকীয়া ঠাইত আছে তাক প্ৰতিগৰাকী ব্যক্তিয়েই জানে। তেখেতৰ জীৱন দৰ্শন যে সৰ্বসাধাৰণৰ জীৱন দৰ্শনতকৈ অতি উচ্চ স্থানত তাক বিভিন্ন ব্যক্তিৰ লেখাৰ জৰিয়তে পাব পাৰি। "কিতাপ পঢ়াৰ আনন্দ" নৱম শ্ৰেণীত থাকোতেই দ্ৰুত পাঠ হিচাপে পঢ়িছিলো। "হালধীয়া চৰায়ে বাওধান খায়" কলেজৰ দ্বিতীয় বাৰ্ষিকত ঐচ্ছিক অসমীয়া বিষয়ত পঢ়িছিলো। "পিতা-পুত্ৰ" "আত্মানুসন্ধান" আদি কিতাপ এতিয়াও বিচাৰি আছো। পাৰ্থিৱ সুখ-বিলাসৰ পৰা বহুযোজন আঁতৰত তেখেতে অৱস্থান গ্ৰহণ কৰিছিল। ওৰেটো জীৱন মাথোঁ সত্য অন্বেষণ আৰু পাঠকৰ জিজ্ঞাসা পূৰণতেই কটালে।

মই জনাত তেখেত খুব স্বল্পভাষী,অনুসন্ধিৎসু আৰু স্বাধীনচিতিয়া আছিল। সেয়েহে সকলো প্ৰকাৰৰ ব্যক্তিৰ পৰা সমীহ আদায় কৰিব পাৰিছিল।

নতুন প্ৰজন্মৰ মাজত তেখেতৰ আজীৱন যৌৱন হৈ থাকিব বিছৰা এই প্ৰচণ্ড আত্মবিশ্বাসেৰে পৰিস্ফুট মুখখনে অহৰহ আমাৰ আগত ভাঁহিয়েই থাকিব। ■■

# মহীৰুহৰ মহাবিদায়

**ধ্রুৱজ্যোতি সাহা**

অমল দাস ডাঙৰীয়া তেতিয়া মই কৰ্মৰত বাতৰি কাকতখনৰ সহযোগী সম্পাদকৰ দায়িত্বত। অমল দাই ফোন কৰি ক'লে যে তেখেতৰ স'তে হোমেন বৰগোহাঞি ছাৰ আহিব কাজিৰঙা ফুৰিবলৈ। মই অকণমান সহযোগ কৰিব লাগে। উচ্চাকাংক্ষা, নিসংগতা, বিষণ্ণতা, আত্মানুসন্ধান, মানুহ হোৱাৰ গৌৰৱ কত কি কিতাপ যে পঢ়িছোঁ হোমেন বৰগোহাঞি ছাৰৰ সীমা নাই। সেই মানুহজনক মই লগ পাম। মোৰ আনন্দৰ সীমা নাই। কাজিৰঙাত থকা-খোৱা, হাতীৰ টিকট বুকিং সকলো কৰিছোঁ। নিৰ্দিষ্ট দিনটোত উপস্থিত হৈছে বৰগোহাঞি ছাৰ। পেলিকান নামৰ কাজিৰঙাত থকা হোটেলখনত ভাতৰ আয়োজন। প্ৰথমতে ভাত খাব, তাৰ পাছতহে হোটেলৰ কোঠালৈ যাব। তেওঁলোক আহি পাওঁতে অকণমান দেৰি হোৱাৰ বাবে ছাৰৰ দলটোক ঠাণ্ডা ভাত দিয়াৰ বিপৰীতে কেইটামান ভাত নতুনকৈ পাতি দিবলৈ ক'লো হোটেলৰ গৰাকীক। কিন্তু, তেওঁলোক তেনেতে পালেহি। আহিয়েই ভাত খাবলৈ বিচাৰে যদিও দুই-তিনি মিনিটমান দেৰি হোৱাৰ বাবে ছাৰৰ খং। অমল দাক ছাৰে কৈছে, "মই কিয় দুই মিনিট বহিবলগীয়া হৈছে, কেনেকুৱা মানুহ ৰাখিছা কাজিৰঙাত?" ছাৰৰ নিয়মানুৱৰ্তিতা দেখা পাই আচৰিত হ'লোঁ। পিছৰ সময়চোৱাত যেনিবা ছাৰৰ স'তে এক সু-সম্পৰ্ক গঢ় লৈ উঠিল।

অসমৰ সমাজ জীৱনৰ বিভিন্ন প্ৰাসংগিক বিষয় বলিষ্ঠভাৱে তুলি ধৰি সমাজলৈ সুস্থ পৰিৱেশ অনাৰ কচৰৎ কৰা হোমেন বৰগোহাঞি ছাৰৰ বিয়োগ সকলো শ্ৰেণীৰ লোকৰ বাবেই ক্ষতি। অবিৰত যাত্ৰাৰ দুৰন্ত সৈনিক বৰগোহাঞি ছাৰৰ নীলাচলৰ পাতৰ জীৱন্ত ছবিবোৰে আজিও আমাৰ মনবোৰ আন্দোলিত কৰে। তেখেতৰ প্ৰথম কলমত উদ্ভাসিত হোৱা বাস্তৱ বিষয়ৰ বলিষ্ঠ উপস্থাপন আজিৰ তাৰিখতো তুলনাবিহীন অসমীয়া সাহিত্যৰ অংশ। সাংবাদিকতাৰ পিতামহস্বৰূপ বৰগোহাঞি ছাৰৰ পঞ্চাশৰ দশকতে আৰম্ভ কৰা সৃষ্টিৰাজিয়ে কিমানক যে জীয়াই থকাৰ প্ৰেৰণা যোগাইছে সেয়া লেখি শেষ কৰিব নোৱাৰি। আজীৱন চিৰতৰুণ হৈ থাকিব বিচৰা বৰগোহাঞি ছাৰে গল্প, কবিতা, উপন্যাসৰ

জৰিয়তে সমাজৰ উঠি অহা প্ৰজন্মৰ পৰা আৰম্ভ কৰি বিভিন্ন শ্ৰেণীৰ মানুহৰ মাজত এক সৰল জীৱনবোধ প্ৰতিষ্ঠা কৰি থৈ গ'ল। "কিতাপ পঢ়াৰ আনন্দ"ৰ সুক্ষ্ম ব্যাখ্যা আগবঢ়োৱাৰ সমান্তৰালভাৱে অসমীয়া কৰ্মী সমাজখনক "কাম কৰাৰ আনন্দ"ৰ দ্বাৰা শিকাই থৈ গ'ল জীৱন যে কেৱল যাপনৰ বাবে নহয় বৰং উদযাপনৰ বাবেহে।

সময়ক পিছ পেলাই কাম কৰি যোৱা ছাৰৰ চিন্তাৰ গভীৰতা অসমীয়া সাহিত্য-সংস্কৃতিৰ এক আপুৰুগীয়া সম্পদ। তালিকা এখন প্ৰস্তুত কৰিলে হয়তো খুব কম ব্যক্তিৰ নাম সন্নিৱিষ্ট হ'ব যি এনে সুক্ষ্ম বিশ্লেষণৰ অধিকাৰী। অগাধ জ্ঞানৰ পৰিধিয়ে চুব নোৱাৰা এক পৰিৱেশৰ সৃষ্টি কৰিলে বৰগোহাঞিঃ ছাৰে। ধীৰ-স্থিৰ, স্পষ্টবাদী, গুৰু-গম্ভীৰ, অত্যন্ত আত্মবিশ্বাসী ব্যক্তি হোমেন বৰগোহাঞিঃ ছাৰৰ জীৱনবোধ সকলোৰে বাবে পাথেয়। অসমীয়া সাহিত্য-সমাজ জগতৰ ভোটাতৰা হিচাপে চিহ্নিত ছাৰৰ বিয়োগ অসমৰ বাবেই এক অপূৰণীয় ক্ষতি। অৱশ্যে প্ৰচুৰ অধ্যয়ন তথা অনুশীলনৰ মাজেৰে জীৱন কটোৱা মহান পুৰুষ বৰগোহাঞিঃ ছাৰ কায়িকভাৱে আঁতৰি গ'লেও চিৰদিন চিৰকাল অসমৰ বায়ু-পানীত গুঞ্জৰিত হৈ থাকিব। অসম আৰু অসমীয়াৰ মনত চিৰকাললৈ প্ৰৱাহমান হৈ থকা হোমেন বৰগোহাঞিঃ ছাৰ সৃষ্টিৰাজীৰ মাজেৰে সকলোৰে প্ৰেৰণাৰ উৎস হৈ ৰ'ব। ■■

---

# প্ৰজ্ঞাৰ সাধকৰ আলোক ছবি

**দেবজিৎ গোস্বামী**
যোৰহাট

যদি অসমীয়া সাহিত্যৰ ধাৰাক আলোচনী ব্যতিৰেকে ব্যক্তিবিশেষৰ নামেৰে নামাকৰণ কৰা হয় তেতিয়া হোমেন বৰগোহাঞিঃ যুগৰ সাহিত্য অভিধা এটা সহজেই আগবঢ়াব পাৰি। সম্ভৱতঃ অসমীয়া মাধ্যমত শিক্ষা গ্ৰহণ কৰা প্ৰতিজন অসমীয়াই হোমেন বৰগোহাঞিঃৰ এখন হলেও কিতাপ পঢ়িছে। ই কম ডাঙৰ কথা নহয়!

ব্যক্তিগত ভাবে দুবাৰ সাক্ষাৎ হৈছিল যদিও সেয়া ক্ষনিকৰ লগালগি। ছাৰৰ সৈতে মত বিনিময় কৰাৰ সুযোগ এটা পাইছিলো ছাৰে মোলৈ কৰা এটা ফোনকলৰ পৰাহে। সেয়া ২০১৯ চনৰ এপ্ৰিল মাহত। দৈনিক জনমভূমিৰ পৰি-পূৰিকা বসুন্ধৰাত এছিয়াৰ প্ৰথমটো বীজ ভঁৰাল অন্নপূৰ্ণা বীজ ভঁৰালৰ গৰাকী, জৈৱ প্ৰকৃতি সংৰক্ষক মহান চন্দ্ৰ বৰাৰ সম্পৰ্কে এটি সুদীৰ্ঘ প্ৰৱন্ধ প্ৰকাশ পাইছিল। ছাৰে পঢ়িছিল লেখাটো। তাৰ তলতে থকা ফোন নম্বৰটোত ছাৰে মোলৈ ফোন কৰিছিল। মোৰ বাবে সেয়া এক বুজাব নোৱাৰা অনুভৱ আছিল। ছাৰে লেখাটো পঢ়ি ভাল পাইছিল আৰু মহান বৰাক কিদৰে

কথা-বাৰ্তা অনুষ্ঠানলৈ মাতিব পাৰি মোৰ লগত আলোচনা কৰিছিল।

বিষয়টো যিয়েই নহও কিন্তু আচৰিত হ'লো যে মানুহজনে কিমান খবৰ ৰাখে বাৰু। সেই সম্পৰ্কীয় বিভিন্ন লেখা আৰু তথ্য ইতিমধ্যে ছাৰে বিচাৰি লৈছিলেই। সকলো বিষয়তে মানুহজনে ইমান গভীৰলৈ গৈ উৎসুকতা নিবাৰণ কৰিছিল যে সেয়া এক ভীষণ গ্ৰীষ্মৰ তৃষ্ণাতুৰৰ দৰেহে অনুভৱ হয়। আমাৰ কথোপকথনৰ সময়তো মানুহজনে এটা শব্দও বেছি বা কমকৈ কোৱা নাছিল। পোনপটীয়াকৈ বিষয় বস্তুৰ আলোচনা হৈছিল আৰু মোৰ আগ্ৰহখিনিক সৌজন্যতাৰ হাঁহিৰে সুন্দৰকৈ প্ৰত্যুত্তৰ দিছিল।

দ্বিতীয়বাৰ কথাবতৰাতো ঠিক একে অনুভৱ। ফোনটোৰ আনটো মূৰত যে এজন নিয়মানুবৰ্তী, প্ৰাজ্ঞ পুৰুষ আছে সেয়া প্ৰতিক্ষণে আমাৰ অনুভৱত সজীৱ আছিল।

পঞ্চম শ্ৰেণীৰ পৰা হোমেন বৰগোহাঞি ছাৰৰ সৈতে এক মানসিক সংযোগ আগবাঢ়িছিল। দেউতাই অসমবাণী ৰ লগতে সুত্ৰধাৰ আলোচনীখনো লৈছিল। মনত আছে বৰগোহাঞি ছাৰৰ লেখাবোৰ আমাৰ চ'ৰাঘৰত মোৰ শিক্ষাগুৰু প্ৰয়াত ক্ষেত্ৰধৰ বৰগোহাঞি ছাৰৰ সৈতে দেউতাই প্ৰায়ে আলোচনা কৰিছিল। আৰু তাৰে কিছুভাগ আমিও পাইছিলো। সেয়াই যথেষ্ট আছিল উৎসুকতা বঢ়োৱাৰ বাবে। পিছলৈ ছাৰৰ কিতাপ খেদি খেদি পঢ়াৰ দৰে। শ্ৰেণীৰ পাঠ্য নাছিল যদিও সপ্তম মান শ্ৰেণীতে "আধুনিক যুগৰ জন্ম কাহিনী" খন পঢ়িছিলো। আৰু সেয়াই আৰম্ভণি যাৰ শেষ এতিয়াও নাই। গো-গ্ৰাসে গিলিছিলো ছাৰৰ লেখাবোৰ। সুবালাৰ পৰা পিতাপুত্ৰলৈ, কবিতাৰ পৰা আত্মজীৱনী কেইখনলৈ।

কিন্তু ছাৰৰ সৰ্বাধিক দুখন কিতাপে মোক প্ৰভাবিত কৰিছিল। এক "মানুহ হোৱাৰ গৌৰৱ"। যিখন কিতাপ অষ্টম শ্ৰেণীত আমাৰ দ্ৰুতপাঠ আছিল। আৰু একেবহাতে পঢ়ি পেলাইছিলো কিতাপখন। এইখন কিতাপে এতিয়াও মোৰ খোজবোৰ বহু পৰিমাণে নিয়ন্ত্ৰণ কৰে। এই বিষয়ে ছাৰৰ সম্পাদনাতে আমাৰ অসম কাকতত লিখিছিলো এদিন। পিছৰখন নিসন্দেহে "অস্তৰাগ"। ৪৫ উৰ্দ্ধৰ প্ৰত্যেকজন ব্যক্তিয়ে এই কিতাপখন পঢ়া উচিত। বয়সৰ সীমাটো কিয় কলো সেয়া কিতাপখন পঢ়াৰ পিছত সকলোৱে বুজিব। মই ভাবো প্ৰতিটো পৰিয়ালৰ জেষ্ঠজনে এই কিতাপখন পিছৰ প্ৰজন্মক পঢুৱাব । ইয়াৰ পাৰ্শ্বক্ৰিয়াৰো সুফল পাব বুলি মোৰ দৃঢ় বিশ্বাস ।

এইগৰাকী মনীষী কায়িকভাবেহে আঁতৰি গৈছে কিন্তু পূৰ্বৰ দৰে তেখেতৰ ৰচনাৰে সকলোকে প্ৰভাবিত কৰি থাকিব যেতিয়ালৈকে অসমীয়া ভাষা সাহিত্য জীয়াই থাকিব। ■■

# মহীৰূহৰ মহাপ্ৰস্থান

**জুলী শইকীয়া**
যোৰহাট

অসমীয়া সাহিত্যৰ জনক শ্ৰদ্ধাৰ হোমেন বৰগোহাঞি ছাৰ কায়িক ভাৱে আজি আমাৰ মাজত নাই যদিও প্ৰতিজন সাহিত্য অনুৰাগীৰ হৃদয়ে হৃদয়ে এগছি জ্ঞানৰ প্ৰদীপ হৈ সদায়ে জ্বলি থাকিব।

অতি কম বয়সৰ পৰাই তেখেতৰ মহান সৃষ্টিৰাজীয়ে আমাক আকৃষ্ট কৰিছিল। "কিতাপ পঢ়াৰ আনন্দ", "আত্মানুসন্ধান", "প্ৰজ্ঞান সাধনা", "আত্ম দিপো ভৱ" আদি গ্ৰন্থই আমাক মোহাচ্ছন্ন কৰি ৰাখিছিল আৰু জীৱনটোক নতুনকৈ চাবলৈ শিকাইছিল। "সুবালা" ই এখন বেলেগ পৃথিৱীৰ লগত চিনাকি কৰাই দিছিল। "পিতা-পুত্ৰ", "অস্তৰাগ", "বিষণ্ণতা", "হৃদয়ৰ মানচিত্ৰ" আদি কিহৰ নাম ল'ম... তেখেতৰ কিতাপ বুলিলেই গো-গ্ৰাসে গিলিছিলোঁ আৰু আজিও তেখেতৰ প্ৰতিটো লিখনিয়ে আমাৰ জীৱনত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰে। এক কথাত ক'বলৈ গ'লে তেখেতৰ লিখনিৰ প্ৰতি উদ্বুদ্ধ হৈয়েই আমি কিতাপ পঢ়িবলৈ শিকিছিলোঁ আৰু এখোজ-দুখোজকৈ সাহিত্যৰ জগতখনৰ ভিতৰ চৰাত ভুমুকি মাৰিছিলোঁ।

দেহ-মনৰ প্ৰতি সদা সচেতন শ্ৰদ্ধাৰ হোমেন বৰগোহাঞি ছাৰে আমাক শিকাই গ'ল স্বাস্থ্য আৰু শৰীৰ সাধনাৰে ৮৯ বছৰ বয়সতো কেনেকৈ বয়সক জিনি চিৰতৰুণ হৈ থাকিব পাৰি।তেখেত আমাৰ পিতৃ প্ৰবাদ পুৰুষ। যদিও মানি ল'বলৈ কঠিন তেখেতৰ মৃত্যু অসমীয়া সাহিত্যৰ বাবে এক অপুৰণীয় ক্ষতি। এই স্থান হয়তো অনাগত ভৱিষ্যতেও কোনেও পুৰাব নোৱাৰিব।

বিশ্ব সাহিত্যৰ সৈতে আমাক পৰিচয় কৰোৱা নানা সন্মানীয় বঁটাৰে বিভূষিত একেধাৰে কবি, সাহিত্যিক, সাংবাদিক, গল্পকাৰ, উপন্যাসিক প্ৰজ্ঞাৰ সাধকজনাৰ মৃত্যুত আমি মৰ্মাহত আৰু তেখেতৰ আত্মাৰ সদগতি কামনা কৰি তেখেতলৈ একাজলি অশ্ৰু অঞ্জলি নিবেদিলোঁ।

ঔম ! শান্তি, শান্তি, শান্তি ! ■■

# প্ৰজন্মক অণুপ্ৰাণিত কৰা
# হোমেন বৰগোঁহাঞিদেৱৰ গ্ৰন্থ "আত্মানুসন্ধান"

**গীতিকা শইকীয়া**
বাংগালোৰ

সেয়া ষষ্ঠমানত পঢ়ি থকা সময়ৰ কথা। স্কুলৰ কুইজ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি প্ৰথম স্থান পাই পুৰস্কাৰ হিচাবে হোমেন বৰগোঁহাঞিদেৱৰ অন্যতম আত্মজীৱনীসদৃশ গ্ৰন্থ "আত্মানুসন্ধান" লাভ কৰিছিলোঁ। সেই সময়ত আমাৰ গাঁৱলৈ বাতৰি কাকত অহাই নাছিল। ৰেডিঅ' আৰু তাৰ মাত্ৰ কিছুদিনৰ আগতে লোৱা টি.ভিটোত দূৰদৰ্শনৰ বাতৰিয়েই সাৰ আছিল। অৱশ্যে স্কুলৰ পুথিভঁৰালত পোৱা বাতৰি কাকতৰ পৰাই শ্ৰদ্ধাৰ হোমেন বৰগোঁহাঞিদেৱৰ লেখনিৰ লগত পৰিচয় হৈছিল। সেই বয়সত তেখেতৰ বহুবোৰ কথা বুজি নাপালেও পঢ়ি কিবা এটা ভাল লাগিছিল। সেয়েহে "আত্মানুসন্ধান" কিতাপখন পুৰস্কাৰ হিচাবে লাভ কৰি সাংঘাতিকভাৱে উৎফুল্লিত হৈ পৰিছিলোঁ। তেতিয়ালৈ নতুন কিতাপৰ গোন্ধ শুঙি, কিতাপ পঢ়ি ভালপোৱা হৈ উঠিছিলোঁ। পঢ়াৰ আগতে কেইবাদিনো কিতাপখন শুঙি, বুকুতে সাৱতি শুইছিলোঁ। বকুল ফুল আনি কিতাপখনৰ পাতৰ মাজে মাজে থৈ গৈছিলোঁ যাতে পিছত পঢ়োঁতে বকুলৰ সুগন্ধিৰে কিতাপখন আমোলমোল হৈ থাকে। ইতিমধ্যে বছেৰেকীয়া পৰীক্ষাও সমীপত আছিল। সেয়েহে কিতাপখন পঢ়িবলৈ হোৱা লোভক খুউব কষ্ট কৰি সংযত কৰিছিলোঁ। কাৰণ পৰীক্ষাৰ আগত বাহিৰা কিতাপ পঢ়িলে মাৰ বেতৰ কোব খোৱাটো নিশ্চিত আছিল।

পৰীক্ষা শেষ হোৱাৰ দিনাৰ পৰাই "আত্মানুসন্ধান"খন পঢ়িবলৈ লৈছিলোঁ। তেতিয়ালৈকে সাধুকথাৰ কিতাপ, দস্যু ভাস্কৰ, টিংকল, সফুঁৰা তথা বুঢ়ীআইৰ সাধু, আৰু মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু আদিৰ জীৱনীমূলক গ্ৰন্থ আদি পঢ়িছিলোঁ। সেয়েহে "আত্মানুসন্ধান"খন পঢ়ি এক অনন্য অনুভৱ হৈছিল। বহুদিন কিতাপখনৰ কথাই চিন্তা কৰি কটাইছিলোঁ। ভাবিছিলোঁ যে এই কিতাপখন ইতিমধ্যে পঢ়া অন্যান্য কিতাপবোৰকৈ বেলেগ কিয়? যদি আত্মজীৱনীয়েই হয় তেন্তে সচৰাচৰ পঢ়া আত্মজীৱনীৰ দৰে নহয় কিয়? আচলতে কিতাপখনৰ কথাবোৰ সাধাৰণ যদিও সাংঘাতিক বুদ্ধিদীপ্ত আছিল। বহু সময়ত কিছুমান কথা বুজিছোঁ বুলি নিজকে বুজাইয়ো অনুভৱ কৰিছিলোঁ যে হয়তো মই

কিতাপখনৰ কথাবোৰ সম্পূৰ্ণকৈ বুজিবলৈ সক্ষম হোৱা নাই। নিজৰ বিষয়ে এনেকৈ কোনোবাই ইমান মুকলিকৈ ক'ব পাৰেনে বুলি বাৰে বাৰে ভাৱি থাকিছিলোঁ। সেয়েহে কিতাপখন বাৰে বাৰে পঢ়িছিলোঁ। অন্ততঃ নৱম শ্ৰেণীলৈকে পৰীক্ষা শেষ হ'লেই অথবা আজৰি সময়ত কিতাপখন হাততে ৰখা কৰিছিলোঁ।

কিছুবছৰৰ পিছত কিতাপখন পুনৰ পঢ়ি মই এনেকৈ ভাৱিবলৈ লৈছিলোঁ যে নিজৰ জীৱনক লৈ ইমান নিৰ্মোহ বিশ্লেষণ দিব পৰাটো ইমান সহজ কথা নহয়। অথচ লেখকে নিজৰ সকলো দোষ-গুণক মুকলিকৈ আলোচনা কৰিছে। যাৰফলত কিতাপখন বৰ্তমানেও এখন পঢ়িবলগীয়া কিতাপত পৰিগণিত হৈ আছে। কেৱল সেয়াই নহয়, "আত্মানুসন্ধান"ত লেখকে সম-সাময়িক সমাজৰো প্ৰতিফলন ঘটাইছে। তাৰলগতে বিশ্বসাহিত্যৰ বহু গ্ৰন্থ তথা লেখকৰ উদ্ধৃতিৰ লগতে সেইবোৰৰ সাৱলীল ব্যাখ্যাৰে "আত্মানুসন্ধান" কিতাপখন প্ৰকৃতাৰ্থতেই আত্মাৰ সন্ধানৰ এক দলিল হৈ পৰিছে।

এটা কথা উল্লেখ কৰিব খোজোঁ যে সেই হাইস্কুলৰ তলৰ শ্ৰেণীতে সৌভাগ্যক্ৰমে পুৰস্কাৰ হিচাবে লাভ কৰা "আত্মানুসন্ধান" কিতাপখনে মোৰ কিতাপ পঢ়াৰ, বিশেষকৈ মনক সন্তুষ্টি দিব পৰা কিতাপ পঢ়াৰ প্ৰতি সাংঘাতিকভাৱে আগ্ৰহী কৰি তুলিছিল। ইতিমধ্যেই কিতাপ পঢ়াৰ তীব্ৰ খক এটাই মোৰ শৈশৱৰ মনটোক বলীয়া কৰি তুলিছিলেই! শ্ৰদ্ধাৰ বৰগোঁহাঞিদেৱৰ "আত্মানুসন্ধান" কিতাপখন পঢ়াৰ পিছৰে পৰা কিতাপ পঢ়াৰ বিষয়ত যথেষ্ট সচেতন হৈছিলোঁ। তেখেতৰ মতে জধে-মধে পঢ়িলেই কিতাপ পঢ়া নুবুজায়। কিতাপৰ মান সন্দৰ্ভত নিশ্চিত হোৱাটো কিতাপ পঢ়াৰ দৰেই জৰুৰী।

এইবিষয়ত "আত্মানুসন্ধান" কিতাপখনত তেখেতে এনেদৰে উল্লেখ কৰিছে,-

"জীৱনত আনন্দ আৰু শিক্ষা পাবলৈ হাজাৰ হাজাৰ কিতাপ পঢ়াৰ কোনো দৰকাৰ নাই। যাৰ যিমান প্ৰয়োজন ঠিক সিমানখিনি পঢ়ি হজম কৰিব পাৰিলেই হ'ল।"

জীৱনৰ বাটত আমি যি হ'ম বুলি ভাৱি আগবাঢ়োঁ, লক্ষ্যস্থিৰ কৰোঁ, জৰুৰী নহয় যে আমি সেই লক্ষ্যত উপনীত হ'ব পাৰোঁ। কেতিয়াবা লক্ষ্যভ্ৰষ্টও হ'ব পাৰে, অথবা স্থিৰ কৰা মতে লক্ষ্যত উপনীত হ'বগৈও পাৰি নাইবা লক্ষ্যৰ বিপৰীতে গৈও আন কোনো সফলতাৰ প্ৰাপ্তি হ'বও পাৰে। কিন্তু জীৱনৰ এই গতিত, এই জীৱন সংগ্ৰামত ব্যস্ত হৈ গৈ থাকি আমি প্ৰায়ে হয়তো নিজকে হেৰুৱাই পেলাবলগীয়া হয়। এনে লাগে যেন সফলতাক আঁকোৱালী ল'বলৈ গৈ আমি নিজকেই হেৰুৱাই পেলাওঁ। ইপ্সিত লক্ষ্যত উপনীত হৈ অথবা লক্ষ্যপ্ৰাপ্তিৰ উদ্দেশ্যত গৈ থাকি নাইবা বিফল হোৱাৰ পিচতো এৰি অহা জীৱনৰ সেই ক্ষণবোৰলৈ উভতি চালে প্ৰায়েই হয়তো থমকি ৰৈ ভাৱিবলগীয়া হয়। হয়তো আমি নিজকে প্ৰশ্ন কৰিবলৈ লওঁ যে আচলতে জীৱন সংগ্ৰামৰ এই দৌৰত আমি

পালোঁৱেইবা কি অথবা হেৰুৱালোঁৱেইবা কি ? এই উভতি চোৱাৰ প্ৰয়াসত প্ৰায়েই অনুভৱ হোৱা কথাটো হ'ল যে গোটেই জীৱন অহৰহ যুঁজ দি দি যিখিনি সাফল্য লাভ কৰিছোঁ সেয়া দেখোন কাহানিও বিচৰাই নাছিলোঁ। তেন্তে জীৱনটোত বিচাৰিছিলোঁনো কি ? আচলতে জীৱনেনো বিচাৰে কি ?

সাধাৰণ দৃষ্টিত এই কথাবোৰ শুনিবলৈ হয়তো অদ্ভূত লাগিব পাৰে। অৱশ্যে সকলো মানুহেই জীৱনক লৈ এনেদৰেই ভাৱিব বুলিও ক'ব নোৱাৰি। কাৰণ এনেধৰণৰ কথাবোৰ সকলো মানুহে সমানে বা একেধৰণেৰে বুজি উঠিব বুলিও আশা কৰিব নোৱাৰি।

বিচৰা সকলোখিনি পোৱাৰ পিচতো মনটোৱে ক'ৰবাত যেন কিবা খালী খালী অনুভৱ কৰে! এই পোৱা-নোপোৱা যিয়েই নহওক, প্ৰাপ্তিৰ আনন্দতকৈ কিয় জানো হেৰুওৱাৰ দুখ অধিক যেন অনুভৱ হয়। প্ৰকৃতাৰ্থত সফলতাই মনক সন্তুষ্টি দিলেও কেৱল হেৰুওৱাৰ অনুভৱেহে মানুহক জোঁকাৰি যায়। সেই জোঁকাৰণি বহুতৰে আত্মালৈকে যায়। হৃদয়ত অনুভৱ কৰা এই জোঁকাৰণিকে "আত্মানুসন্ধান"ত লেখকে সৰলীকৰণ কৰি বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰিছে।

উল্লেখযোগ্য যে হোমেন বৰগোঁহাঞিৰ "আত্মানুসন্ধান"ত তেখেতে নিজৰ আত্মাক, নিজকে বিচাৰিবলৈ চেষ্টা কৰিছে যদিও তেওঁৰ সেই নিজক বিচৰাৰ চেষ্টা কেৱল একান্ত নিজৰ হৈ থকা নাই। এই নিজক বিচৰাৰ অন্বেষণ পঢ়ি যাওঁতে কিতাপখনৰ বিষয়বস্তুৰ লগত একাত্ম হৈ পৰা হাজাৰ হাজাৰ পাঠকৰ আত্মাৰ অন্বেষণ হৈ পৰিছে। প্ৰকৃততে কিতাপখনৰ বিষয়বস্তুৱেই স্বতঃস্ফূৰ্তভাৱেই পাঠকৰ অন্তৰত খোপনি পুতি ল'বলৈ সক্ষম হৈ পৰে। তেখেতৰ আত্ম অনুসন্ধানৰ কথাবোৰেৰে পাঠক-পাঠিকাই নিজৰ অতীতত এৰি অহা নিজকে বিচাৰিবলৈ অন্বেষণ কৰিবলৈ ধৰে। তেনেদৰেই পাঠক-পাঠিকাৰ আত্মাৰ অনুসন্ধানৰ দিশত "আত্মানুসন্ধান" কিতাপখন এক দিক্ নিৰ্ণায়ক হৈ পৰে।

তেখেতৰ মতে প্ৰতিটো সময়ৰ প্ৰজন্মই হয়তো আগৰ প্ৰজন্মক অথবা অতীতৰ মানৱ জাতিক দুৰ্ভগীয়া অথবা সৌভাগ্যশালী বুলি ভাৱিবলৈ ধৰে যদিও প্ৰতিটো যুগৰে কিছুমান যোগাত্মক-ঋণাত্মক কাৰক থাকে, যিবোৰক কোনেও অস্বীকাৰ কৰিবও নোৱাৰে। "আত্মানুসন্ধান"ত তেখেতে অতীতত হোৱা কিছু ঘটনাক ফঁহিয়াই দেখুৱাবলৈ চেষ্টা কৰিছে। তেখেতৰ মতে অজ্ঞতা কেতিয়াবা আশীৰ্বাদ স্বৰূপো হ'ব পাৰে। সেয়েহে আদিম পৃথিৱীৰ মানুহৰ সেই অজ্ঞানতা বহুসময়ত আশীৰ্বাদ স্বৰূপহে হৈ পৰিছিল। লাহে লাহে মানুৱ সমাজ আধুনিকতাৰ দিশে অগ্ৰসৰ হ'ল। তাৰফলত মানৱ সমাজৰ বিকাশ নিশ্চয়কৈ হৈছে, সেইটোত কোনো দ্বিমত নাই। কিন্তু সেই বিকাশৰ তথা আধুনিকতাৰ বাবেও মানৱ সমাজে কিছু ত্যাগ কৰিবলগীয়াও হৈছে। বিকাশৰ বাবেই মানুহে আন বহু কিবা-কিবি হেৰুৱাইও

গৈ আছে। তেখেতে উল্লেখ কৰিছে যে আদিম মানুহৰ বা সম্পূৰ্ণ বিকশিত সভ্যতাৰ আগৰ সমাজৰ মানুহবোৰৰ অজ্ঞানতাক ঋণাত্মক দৃষ্টিভংগীৰে লোৱাতকৈ যোগাত্মকভাৱে গ্ৰহণ কৰা উচিত। সেইবাবেই তেখেতে বিকশিত সমাজৰ অথবা আধুনিক সমাজৰ আগৰ মানৱ সমাজৰ অজ্ঞানতাক আশীৰ্বাদ বুলি অভিহিত কৰিছে। তেখেতৰ মতে মানৱ সমাজত চলি অহা হিংসা, দ্বেষ আদি অতীতকৈ বহু পৰিমাণে বৃদ্ধি পোৱা বুলি বহুতে দাবী কৰে যদিও সেয়া শুদ্ধ নহয়। হিংসা আগতেও আছিল আৰু এতিয়াও আছে। প্ৰকৃততে এই হিংসা-দ্বেষৰ সন্দৰ্ভত মানুহৰ জ্ঞানৰ পৰিসৰহে বৃদ্ধি পাইছে। আধুনিকতাৰ পৰশত বিভিন্ন ধৰণৰ সহজতে পোৱা তথ্য লাভ কৰি এই হিংসা-দ্বেষ আদিবোৰৰ বিৰুদ্ধত মানুহৰ সজাগতা তথা সচেতনতা বৃদ্ধি পাইছে। এনেধৰণেৰেই হোমেন বৰহোঁহাঞিদেৱে তেখেতৰ "আত্মানুসন্ধান" কিতাপখনত বিভিন্ন সময়ৰ সৰলীকৃত বিশ্লেষণ আগবঢ়াইছে।

এটা কথা অনস্বীকাৰ্য যে অসমীয়া সাহিত্য জগতৰ মহীৰূহ হোমেন বৰগোঁহাঞি দেৱৰ এই "আত্মানুসন্ধান" কিতাপখনৰ প্ৰভাৱ তথা মহত্ব পাঠকৰ মাজত বিয়পি গৈয়েই আছে। প্ৰকৃততে "আত্মানুসন্ধান" কিতাপখন কেৱল মাত্ৰ এবাৰ পঢ়ি থৈ দিব পৰা কিতাপ নহয়। কিতাপখন বাৰে বাৰে পঢ়িলেও আমনি নালাগে। কিতাপখনৰ পৰা বহু কথা শিকিব পাৰি। জীৱনৰ বহু কথা বুজিব পাৰি। বৰঞ্চ কিতাপখন বাৰে বাৰে পঢ়ি বুজি লোৱা কথাবোৰ নিজৰ জীৱনৰ বাবে প্ৰয়োগ কৰিব পাৰি। বিশেষকৈ কিতাপখন উঠি অহা চামৰ বাবে এক পথ-প্ৰদৰ্শক হ'ব পাৰে। সেয়েহে ক'ব পাৰি যে, হোমেন বৰগোঁহাঞিদেৱৰ এই "আত্মানুসন্ধান" কিতাপখন পাঠক-পাঠিকাৰ বাবে জীৱনৰ পথ-প্ৰদৰ্শনৰ হাতপুথিৰূপে স্বীকৃত হৈ ৰ'ব। ■■

# ৰত্নগৰ্ভা আই অসমীৰ সুসন্তান হোমেন বৰগোহাঞি চাৰ

**মিনতি দলে**
বোকাখাত

সমাজ জীৱনৰ অতন্দ্ৰ প্ৰহৰী, প্ৰজ্ঞাৰ সাধক, জাতীয় জীৱনৰ বটবৃক্ষ, মহীৰূহ, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, জাতিৰ নয়নৰ মণি, জীৱনৰ শেষ নিশ্বাস ত্যাগ কৰালৈকে ভাষা সাহিত্য বৌদ্ধিক ক্ষেত্ৰখনৰ শিৰৰ সেওঁতা জিলিকাই তোলা, নিৰ্ভীক আৰু স্পষ্টবাদী, পুৰোধা, প্ৰজন্মৰ পিছত প্ৰজন্মক সাহিত্যনুৰাগী কৰি তুলা, ৰত্নগৰ্ভা আই অসমীৰ সুসন্তান কৰ্মপ্ৰিয়, মোৰ প্ৰিয় সাহিত্যিক শ্ৰদ্ধাৰ হোমেন বৰগোহাঞি চাৰৰ মহাপ্ৰয়াণত শোকত মই ম্ৰিয়মান হৈ পৰিলোঁ। চকুত চকুলো ভৰি পৰিল। ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিলোঁ, হে প্ৰভু, যি গৰাকী ব্যক্তিয়ে অসমৰ সাহিত্য ভাষা, বৌদ্ধিক দিশত প্ৰজ্বলিত কৰি সমাজৰ বাবে জীৱন উচৰ্গা কৰিলে এইগৰাকী মহান ব্যক্তিৰ আত্মাক বৈকুণ্ঠত ঠাই দিয়ক।

প্ৰথিতযশা সাহিত্যিক শ্ৰদ্ধাৰ হোমেন বৰগোহাঞি চাৰক প্ৰথম লগ পাইছিলো ইংৰাজী ২০১৩ চনত বোকাখাতত, পুৰতি সাহিত্য সভা ভৱনত। স্বেচ্ছাসেৱী সংগঠন (NGO) এখনে তেখেতক মুখ্য অতিথি হিচাপে নিমন্ত্ৰণ কৰিছিল। সৌভাগ্যবশত সেইখন সভালৈ ময়ো নিমন্ত্ৰণ পাই উপস্থিত আছিলোঁ।

বৰগোহাঞি চাৰৰ বহুকেইখন কিতাপ পঢ়িছোঁ যদিও তেখেতক লগপোৱা নাছিলো। কেতিয়াবা লগপোৱাৰ আশা মনতে পুহি ৰাখিছিলোঁ। সেয়ে উক্ত সভাত তেখেতক লগপাই অতি আনন্দিত হৈছিলোঁ।

সভাৰ শেষত বোকাখাতৰ নিবাসী ভানু বৰুৱা বাইদেউৰ ঘৰত চাৰে দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰিছিল। চাৰে আমাকো লগত লৈ গৈছিল।

কথাশিল্পী হোমেন বৰগোহাঞি চাৰৰ কথাবাৰ্তা বোৰ ইমানেই আকৰ্ষণীয় আৰু মোহনীয় আছিল যে মই চাৰৰ মুখলৈ চাই একাগ্ৰতাৰে কথাবোৰ শুনি আছিলোঁ আৰু হৃদয়ঙ্গম কৰিবলৈ চেষ্টা কৰিছো। চাৰৰ মুখৰ পৰা যেন বোধিদ্ৰুম জ্ঞানবৃক্ষৰ আলোকপ্ৰপাত নিগৰিছে আৰু আমি এই আলোকেৰে আলোকিত হৈছোঁ। চাৰৰ প্ৰতি শ্ৰদ্ধাত মোৰ মুৰ দোখাই গৈছিল। কথাবাৰ্তাৰ মাজতে মই ৰাজনীতি আৰু সাহিত্য চৰ্চাৰ কথা জানিব পাৰি

চাৰে আনন্দিত হৈ মোক প্ৰশংসা কৰি কৈছিল ‘বৰ ভাল কথা, তুমি ৰাজনীতিত থাকিও লিখা মেলা কৰি আছা। বৰ ভাল পালো, সাহিত্য চৰ্চা এৰি নিদিবা।’ বিশ্বৰ বিখ্যাত আৰু মহান সাহিত্যিক তথা দাৰ্শনিক সকলৰ কিতাপ পঢ়ি ভালপোৱা আৰু জ্ঞান দৰ্শনৰ আলোকেৰে আলোকিত হৈ অসমী আই তথা বিশ্বৰ বুকুত জ্ঞান পোহৰেৰে প্ৰজ্বলিত কৰি তোলা বহু গুণসম্পন্ন প্ৰতিভাধৰ সদাব্যস্ত হোমেন বৰগোহাঞি চাৰৰ লগত মাজে সময়ে কথা পাতো খুউব কম সময়।

প্ৰায় চাৰি বছৰমানৰ আগৰ কথা। মই বোকাখাত মিচিং সাহিত্য সভাৰ সভাপতি আছিলোঁ। কাজিৰঙাৰ কহৰাত মিচিং সাহিত্য সভাৰ উদ্যোগত আৰু কেইবাগৰাকীও ব্যক্তিৰ সহযোগত এখনি কাব্যানুষ্ঠান অনুষ্ঠিত কৰিছিলোঁ। উক্ত সভালৈ শ্ৰদ্ধাৰ হোমেন বৰগোহাঞি চাৰক মুখ্য অতিথি হিচাপে আমি নিমন্ত্ৰণ কৰিছিলোঁ। চাৰে কাব্যানুষ্ঠানখনলৈ আহি আমাক কৃতাৰ্থ কৰিছিল। উক্ত অনুষ্ঠানখনত মহীৰুহ হোমেন বৰগোহাঞি চাৰে মোৰ ইংৰাজী গ্ৰন্থ ‘‘Waiting for Light’’ উন্মোচন কৰিছিল। চাৰৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ’লো। তাৰোপৰি উক্ত কাব্যানুষ্ঠান খনৰ সঞ্চালনা কৰিবলৈ সভাই চাৰক দায়িত্ব দিয়া হৈছিল কিন্তু চাৰে এই দায়িত্ব পালন কৰিবলৈ মোক অৰ্পণ কৰি উৎসাহিত আৰু অনুপ্ৰাণিত কৰিছিল।

হোমেন বৰগোহাঞি চাৰৰ বাসগৃহত মোৰ সৰু পুত্ৰ উদয় আৰু পুত্ৰী জ্যোতিমালাৰ স’তে প্ৰথম যাওঁতে চাৰে নিজেই চাহ বনাই আমাক খুৱাইছিল লগতে কেইবাবিধো সুস্বাদু খাদ্য। চাৰে মোক কৈছিল তুমি কোনবিধ খাবা খোৱা। মহান ব্যক্তিগৰাকীৰ মৌ মিষ্ট ব্যৱহাৰত আমি আচৰিত হৈছিলো। চাৰৰ ড্ৰইং ৰুমৰ চৌপাশে দেশী-বিদেশী বিখ্যাত সাহিত্যিক দাৰ্শনিক সকলৰ কিতাপ তেখেতৰ নিজৰো কিতাপ আলমাৰী বিলাকত অতি সুন্দৰকৈ শাৰী শাৰীকৈ সজাই থোৱা আছে। কি যে দৃষ্টিনন্দন দৃশ্য, চাই চাই হেপাঁহ নপলায়।

২০২১ বৰ্ষৰ মাৰ্চ মাহত শ্ৰদ্ধাৰ হোমেন বৰগোহাঞি চাৰৰ লগত কিছু কথা পাতিছিলোঁ। মোৰ কথাৰ উত্তৰত চাৰে কৈছিল, মই এতিয়া ৰাজনীতিৰ কথা বিশেষ নকওঁ। লেখা মেলা সাহিত্য চৰ্চাৰ লগতে সমাজৰ ভালৰ বাবে কাম কৰি যোৱা। জীৱন মূল্যবোধ আৰু সমাজৰ হিতৰ বাবেই সৃজনীমূলক আৰু সৃষ্টিমূলক কাম কৰিব লাগে। মানুহৰ এই চুটি জীৱনৰ সময় অকণো অপচয় কৰিব নালাগে।

প্ৰতি বছৰে বিহু পূজা আদি উৎসৱত শুভেচ্ছা জনোৱাৰ দৰে এইবাৰো বহাগ বিহুৰ শুভেচ্ছা ১৪ এপ্ৰিলত চাৰক দিছিলোঁ যদিও আগৰ দৰে প্ৰতি শুভেচ্ছা জনোৱাৰ দৰে এইবাৰ মোলৈ প্ৰতি শুভেচ্ছা নজনালে। সেয়ে মোৰ মনটো বেয়া লাগি থকাৰ কাৰণে

চাৰলৈ ফোন এটা কৰিছিলোঁ আৰু স্বাস্থ্যৰ খবৰ লৈছিলো। আৰু কৈছিলোঁ, আপুনি ভালে থাকক চাৰ, আপুনি বহুত দিন জীয়াই থাকিব লাগিব, চাৰে সৰুকৈ হাঁহি এটা মাৰি মোক সুধিছিল 'তুমি লেখা মেলা কৰি আছানে?' মই কৈছিলোঁ 'চাৰ, দুই তিনি মাহমান হ'ল লিখাই নাই।' 'তুমি গুৱাহাটী আহিলে ফোন কৰিবা মিনতি।'

এইখিনি কথাই চাৰৰ লগত পতা শেষ কথা আছিল। সমাজ, সাহিত্য জগত, সংবাদ জগতত তথা বিশ্বত, যুগদ্ৰষ্টা হোমেন বৰগোহাঞি চাৰৰ নাম জিলিকি থাকিব যুগ যুগান্তৰ। আপুনি আৰু আপোনাৰ কৰ্মই আমাৰ মনত সদায়ে সজীৱ হৈ থাকিব।

শ্ৰদ্ধাৰ চাৰ আপুনি য'তেই আছে শান্তিত থাকক। মাথোঁ আপুনি আমালৈ আশীৰ্বাদ চটিয়াব। চাৰলৈ অশ্ৰু অঞ্জলিৰে গভীৰ ভাৱে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ। ■■

---

# হে মহান
# আপোনাক বিদায় জনাব নোৱাৰোঁ

**হেমা চৌধুৰী গগৈ**
গোলাঘাট

অবিশ্বাস্য খবৰটোৱে শৰীৰটো কঁপাই তুলিছিল।

আৰু কিমান হেৰুৱাব লাগিব আমি! প্ৰিয় মানুহ, অসমৰ সমাজ জীৱনৰ একো একোজন সম্পদ হঠাৎ হেৰাই যাবলৈ ধৰিছে।

হোমেন বৰগোহাঞিদেৱ আছিল অসমীয়া জাতিৰ মহীৰুহ স্বৰূপ, যিজনে জীৱনৰ শেষ সময়লৈকে অসমীয়া ভাষা সাহিত্য জগতৰ বাবে অহৰহ কাম কৰি গৈছিল। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সাহিত্য অকাডেমি বঁটা বিজয়ী, সাংবাদিক হোমেন বৰগোহাঞিদেৱৰ "জীৱন সুন্দৰ আৰু ভয়ঙ্কৰ" গ্ৰন্থখন মই প্ৰথম পঢ়িছিলোঁ। যিখন গ্ৰন্থত তেখেতৰ জীৱনৰ ঘটনাসমূহ বিষদভাৱে বৰ্ণনা কৰিছিল আৰু প্ৰতিটো ঘটনাৰ মাজেৰে একোটা বাৰ্তা এৰি দিছিল।তেখেতৰ প্ৰতিটো লেখনিৰ দ্বাৰা বুজিব পাৰি তেখেতৰ অপৰিসীম জ্ঞানৰ কথা।

ধীৰ-স্থিৰ, সহজ-সৰল গুৰু-গম্ভীৰ, বুদ্ধিজীৱী পৰম আত্মবিশ্বাস আৰু অনুশীলনৰ মাজেৰে জীৱন কটোৱা হে মহান পুৰুষ, আপোনাক বিদায় জনাব নোৱাৰোঁ। আপুনি চিৰদিন চিৰকাল অসমীয়াৰ বুকুত জীয়াই থাকিব, সেই সমাজে আপোনাক মনত ৰাখিব যি সমাজক আপুনি জীয়ন মন্ত্ৰ দি গৈছে।

আপোনাৰ বিদেহ আত্মাই বৈকুণ্ঠত স্থান পাওক। ■■

# যাওঁ বুলিয়েই গুচি গ'ল তেওঁ

**(সাহিত্য খনিকৰ হোমেন বৰগোহাঞিদেৱলৈ শ্ৰদ্ধাৰে)**

**প্ৰাঞ্জল পি হাজৰিকা**
মেক্স হস্পিটেল, নতুন দিল্লী

যাওঁ বুলিয়েই গুচি গ'ল এক অভিমানী সত্বা!
নাছিল কোনো আগজাননী
নাছিল কোনো সময় মহাপ্ৰস্থানৰ।

কলমেৰে হৃদয় জিনা
শব্দেৰে জিলিকি থকা
মহীৰূহজন ঢাপলি মেলিল কোনো নতুন চহৰলৈ,
নতুন ঠিকনা বিচাৰি।

বানেচুমা চহৰৰ অমূল্য মাণিক!
চাৰিকৰিয়াৰ দুয়োপাৰ উকা কৰি মেলি দিলে নাও
ভটীয়নী সোঁতত বিষাদৰ সুৰ তুলি
নাওখনৰ সৈতে হেৰাই গৈ থাকিল তেওঁ
দূৰলৈ, দূৰলৈ মাথোঁ দূৰলৈ।

উকা আজি সাহিত্যৰ পথাৰ
উদং আজি মনৰ বাকৰি
যুগদ্ৰষ্টা তেওঁ
যুগস্ৰষ্টা তেওঁ
বুকুত বয় হাজাৰ সেউজী সুবাস
পৃষ্ঠাই পৃষ্ঠাই তেওঁৰ চিন্তাৰ নিৰ্যাস

মাটিৰ বুকুত স্বৰ্গ আঁকি
শব্দৰ ওঁঠত জীৱন আঁকি
আত্মাৰ মাজত জীৱন বিচাৰি
তেওঁ বিদায় মাগি গল কত'জনৰ চকুত নদী আঁকি।

শব্দ তেওঁৰ সূৰ্য
বাক্য তেওঁৰ সাগৰ
সৃষ্টি তেওঁৰ যুগমীয়া
দৃষ্টি তেওঁৰ আকাশ।

দুচকুত অশ্ৰুৰ মালা
দুওঁঠত অসহায় কঁপনি
উদভ্ৰান্ত মন তেনেই অবুজন
বিদায় হে কথাশিল্পী
বিদায় হে সাহিত্যৰ খনিকৰ।
বিদায় অমৃত আলোক সন্ধানী। ■■

# ধকুৰাখনাৰ পৰা আন্তঃৰাষ্ট্ৰীয় এক বৰ্ণিল যাত্ৰা

**কাজু**
বোকাখাত

"হালধীয়া চৰায়ে বাও ধান খায়" চন-১৯৮৭, পৰিচালক জাহ্নু বৰুৱাৰ দ্বাৰা প্ৰথম ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত পুৰস্কাৰ বুটলিবলৈ সক্ষম হোৱা অসমীয়া বোলছবিখনৰ মূল কাহিনী লিখকজনেই আছিল কথা শিল্পী শ্ৰদ্ধাৰ হোমেন বৰগোহাঞিদেৰ। তেখেত আছিল একেধাৰে সাহিত্যিক, সাংবাদিক, কথা শিল্পৰ আজন্ম শিল্পী। আমি গুৱাহাটীত পঢ়ি থাকোতে শিক্ষান্ত পৰীক্ষাৰ পাছত অনাই-বনাই ঘুৰি ফুৰোতে, ফাঁচী বজাৰৰ এক ছবিগৃহত এই ছবিখন অসমীয়া ছবি বুলিয়েই চাবলৈ গৈছিলো আৰু ঠিক তিনিদিন মান পাছতেই শুনিবলৈ পালোঁ যে, এই কথাছবিখনে ৰাষ্ট্ৰীয় পৰ্যায়ত শ্ৰেষ্ঠ আঞ্চলিক ভাষাৰ ছবিৰূপে পুৰস্কৃত হৈছে। এই খবৰটো পাই অতিশয় আনন্দিত হোৱাৰ লগতে আমি যথেষ্ট গৌৰান্বিতও হৈছিলো। কিয়নো সেই সময়ত অসমত অসমীয়া ছবিৰ নিৰ্মাণ তথা আদৰ একেবাৰে সীমিত আছিল। ইংৰাজী বা হিন্দী কথাছবি সমূহেহে ছবিগৃহত আগস্থান পাইছিল। আমিসব ঘটনা ক্ৰমেহে দৰ্শক হৈছিলো। অৱশ্যে ৮০ দশকত "বোৱাৰী", "আজলী নবৌ" আদি ছবি সমূহে চেগা-চোৰোকাকৈ চিত্ৰগৃহ সমূহ শুৱনি কৰিছিল। ৰাষ্ট্ৰীয় পৰ্যায়ত পুৰস্কৃত ছবিৰ দৰ্শক, স্বাভাৱিকতেই অধিক উৎফুল্লিত হৈ পৰিছিলো! কোনো এখন কথাছবিৰ কাহিনীভাগ যদি অৰ্থপূৰ্ণ তথা মনোগ্ৰাহী নহয়, ই কেতিয়াও ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত দৰ্শক তথা বিচাৰকৰ মনত প্ৰভাব পেলাব নোৱাৰে। কিন্তু অনন্য প্ৰতিভাশালী লিখক বৰগোঁহাঞিদেৰৰ শিল্পই এই ক্ষেত্ৰত সকলোকে প্ৰভাৱিত কৰিছিল। যিদৰে সংগীত শিল্পত "ভাৰতৰত্ন ড° ভূপেন হাজৰিকা"দেৱ আন্তঃ ৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃত হৈছিল, ঠিক তেনেদৰেই বৰগোঁহাঞি দেৰৰ কথা শিল্পইও অসমক ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিষ্ঠা কৰাৰ লগতে জাতিটোলৈ খ্যাতি ও সন্মান কঢ়িয়াই আনিবলৈ লৈ সক্ষম হৈছিল।।

সকলোৰে শ্ৰদ্ধাৰ সাহিত্যিক হোমেন বৰগোঁহাইদেৱে প্ৰায় তিনিকুৰি বছৰৰো অধিক সময় অসমৰ ভাষা-সাহিত্য-সংস্কৃতি, বৌদ্ধিক তথা জাতীয় জীৱনৰ নানা ঘটনাৱলীৰ

ক্ষুৰধাৰ তীক্ষ্ণ বিশ্লেষণেৰে জনজীৱনক আন্দোলিত কৰিছিল। কৈশোৰ কালতে তেওঁৰ কিছুসংখ্যক লেখা পঢ়ি মুগ্ধ হৈছিলো তেওঁৰ ভাষাৰ সৰলতা আৰু স্পষ্টবাদিতাৰ বাবে। এই গুণৰ অধিকাৰী হোৱাৰ বাবেই তেওঁ অসমৰ সহস্ৰ পাঠকক মুগ্ধ কৰি ৰাখিব পাৰিছিল। সমালোচনামূলক সাহিত্যত তেখেতে নতুন পৰীক্ষা-নিৰীক্ষাৰে এক বিশেষ আৰ্কষণীয় শৈলী নিৰ্মাণ কৰিছিল। এই সাহিত্যও যে ৰসাল আৰু বোধগম্যও হ'ব পাৰে সেই কথা তেওঁ প্ৰমাণ কৰি দেখুৱাই দিছিল। বিশ্ব সাহিত্যৰ লগতো অসমীয়া পাঠকক বৰগোহাঞিদেৱে এক নতুন মাত্ৰাৰে চিনাকী কৰাই দিছিল। যুৱ-শ্ৰেণীৰ সকলো পাঠককো তেওঁৰ জীৱনৰ ব্যাখ্যা আৰু আত্ম-জৈৱিক কথাবোৰে বৰকৈ উদ্ধুদ্ধ কৰিছিল। তেওঁ ৰচনাবোৰত আছিল এনে কিছুমান দিশ আৰু দৃষ্টি যিবোৰে মানুহক জীয়াই থকাৰ প্ৰতি অহৰহ প্ৰেৰণা দিয়াৰ লগতে দায়িত্বশীলো কৰি তুলিছিল। এয়া আছিল তেওঁৰ সমস্ত ৰচনা ৰাজিৰ এক বিশেষ তাৎপৰ্য। এই অঘৰী অক্লান্ত কথাশিল্পী পথিকজনে অসমীয়া সাহিত্যত দি গ'ল এক অনন্য ধাৰা। যাৰ বাবে এই সাহিত্যই যুগে যুগে শিল্পীগৰাকীক অনুৰাগীৰ হৃদয়ত চেতনা, অনুপ্ৰেৰণাৰ বাহক হৈ কথা কৈ থাকিব। ধকুৱাখনীয়া শ্ৰদ্ধাৰ হোমেন বৰগোহাঞিদেৱ আছিল সৃষ্টিশীল তৰুণ লেখকৰ বাবে পথ-নিৰ্দেশক আৰু অসমীয়া সাহিত্যজগতৰ এক দায়িত্বশীল ও সফল অভিভাৱক। শেষ বয়সত বৈদ্যুতিন মাধ্যমৰ যোগেদি জনপ্ৰিয়তা অৰ্জন কৰা "কথা-বাৰ্তা" অনুষ্ঠানটোত তেখেতক আমি নিচেই ওচৰৰ পৰা পাইছিলোঁ। ইয়াত তেওঁ সমল ব্যক্তিসকলৰ লগত তেওঁলোকৰ প্ৰতিভাৰ বিষয়ে আমাক সহজ সৰলকৈ আভাষ দিয়াৰ লগতে মনত থকাকৈ পৰিচয় কৰাই দিছিল। তেখেতে যি বিষয়ৰ ওপৰতে আলাপ-আলোচনা নকৰিছিল কিয়, সেই বিষয় তথা আন প্ৰাসংগিক প্ৰতিটো বিষয়ৰ ওপৰত তেখেতৰ জ্ঞানৰ গভীৰতাৰ, অগাধ পাণ্ডিত্যৰ পৰিচয় দিছিল। "কথা-বাৰ্তা" এক ব্যতিক্ৰমী অনুস্থান য'ত তেখেতে আজীৱন আৰ্জন কৰা জ্ঞান, অভিজ্ঞতাসমূহ বৰ্ণনা কৰিবলৈ সক্ষম হৈছিল। আমিও সেই সুযোগতে বৰগোহাঞিদেৱৰ অসমীয়া তথা বিশ্ব-সাহিত্যৰ গভীৰ জ্ঞানৰ বিশালতাৰ বিষয়ে জানিব পাৰিছিলো, বহু নজনা কথা শিকিব পাৰিছিলো। তেখেতে অকপটে খুব সহজ-সৰল ভাবে সমস্ত জীৱনৰ জ্ঞান, অভিজ্ঞতাবোৰ অসমৰ ৰাইজক বিলাইছিল। বিশ্ব-সাহিত্যৰ জগতত স্ব-জ্ঞানেৰে ভৰপূৰ এই কথা শিল্পীজনৰ মহাপ্ৰয়াণ অসমীয়া জাতিটোৰ বাবে এক অপূৰণীয় ক্ষতি। এই ক্ষ্যাতিসম্পন্ন সাহিত্যিক, সাংবাদিক শ্ৰদ্ধাৰ হোমেন বৰগোহাঞিদেৱৰ দেহাৱসানে ৰিক্ত কৰিলে অসম তথা বিশ্বৰ আকাশ-বতাহ। জাতীয় জীবনৰ পৰা উভালি পৰিল এক বটবৃক্ষ, তেখেতৰ বিদেহী আত্মাই চিৰশান্তি লাভ কৰক।

তাৰ কামনাৰে কথা এই বৰেণ্য ব্যক্তিজনলৈ পুনৰ শ্ৰদ্ধাঞ্জলি... ।■■

# হোমেন বৰগোহাঞি শ্ৰদ্ধাঘ্য

**ইমৰান আলী**

হোমেন বৰগোহাঞি এক ব্যক্তি নহয় এক অনুষ্ঠান। শৈশৱৰে পৰাই তেখেতৰ লেখাৰ লগত চিনাকী হৈছিলো। তেওঁৰ প্ৰায়বোৰ উপন্যাস, গল্প, প্ৰবন্ধ পঢ়ি শেষ কৰিছিলো।

তেওঁৰ লেখাত জীৱনৰ নতুন বাট বিচাৰি পোৱা যায়। অৱসাদগ্ৰস্ত জীৱনে নতুন সঞ্জীৱনী সুধা লাভ কৰে তেওঁৰ কলমেৰে নিগৰি যোৱা বাক্যত। তেওঁ জীৱনক লৈ কৰা ন ন সম্পৰীক্ষাই বহুতকে জীৱনটো নতুনকৈ চোৱাৰ সাহস দেখুৱাই। হোমেন বৰগোহাঞি ছাৰৰ আমাৰ অসমৰ "প্ৰথম কলম" মোৰ অন্যতম প্ৰিয় কলম। সাংবাদিকতাৰ পাঠ গ্ৰহণ কৰি সাংবাদিক হোৱাৰ মন মেলা বহুতৰে বাবে এই লেখাৰ আছে বিশেষ মহত্ব। কেনেকৈনো শব্দক লৈ খেলিব পাৰি, শব্দৰে কি দৰে পাঠকৰ মনত ৰেখাপাত কৰিব পাৰি সেইয়া প্ৰথম কলম পঢ়া প্ৰতিজনে উপলব্ধি কৰিব পাৰে। তেওঁক লগ নোপোৱাকৈ, তেওঁক কেতিয়াও শাৰীৰিকভাৱে নেদেখাকৈ মই তেওঁৰ লেখা পঢ়িয়েই তেওঁৰ এজন অনুৰাগী হৈ পৰিছিলো। মনত এটা আশাৰ ভাব কঢ়িয়াই লৈ ফুৰিছিলো যে এদিন তেওঁক লগ পাম। অৱশেষত সেই দিনটো আহিছিল। কৃষি বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° কমল মল্ল বুজৰবৰুৱাৰ গ্ৰন্থ উন্মোচনী অনুষ্ঠানৰ বাতৰি সংগ্ৰহৰ বাবে গৈছিলো সিদিনা। গুৱাহাটীৰ টাউন ক্লাবৰ প্ৰেক্ষাগৃহত "তোমালোকে নিজৰ জীৱনটো নতুনকৈ গঢ়িব পাৰা" শীৰ্ষক গ্ৰন্থখনৰ উন্মোচনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে আছিল হোমেন বৰগোহাঞি ছাৰ। সূচী অনুসৰিয়েই গ্ৰন্থ মুকলি হ'ল। সকলো বক্তাই বক্তব্য আগবঢ়ালে। মই কিন্তু অধীৰ আগ্ৰহেৰে ৰৈ আছিলো হোমেন বৰগোহাঞি ছাৰৰ প্ৰাণস্পৰ্শী বক্তব্যৰ বাবে। তেওঁৰ প্ৰায় সমুখতে বহি সেইদিনা তেওঁৰ কথা শুনিছিলো। জীৱনৰ প্ৰতিটো মুহূৰ্ত কেনেকৈ অৰ্থপূৰ্ণ কৰিব পাৰি, কেনেকৈ জীৱন উদ্‌যাপন কৰিব পাৰি সেই কথা তেওঁ নিজৰ বক্তব্যত ব্যক্ত কৰিলে। জীৱনক লৈ মানুহজনৰ অপৰিসীম ভালপোৱা কেৱল তেওঁৰ লেখনিতে নহয় তেওৰ বক্তব্যতো যে প্ৰকাশ পায় সেইদিনা পোনপটীয়াকৈ তেওৰ কথা শুনি উপলব্ধি কৰিছিলো। তেওঁ ক'লে মৃত্যুক লৈ তেওঁ কেতিয়াও চিন্তিত নহয়, মৃত্যুকো তেওঁ ভাল পাব খোজে। অনুষ্ঠানৰ শেষত তেওঁৰ সৈতে চিনাকী হৈ ফটো উঠিলো। তেওঁ আশীৰ্বাদ দিলে। মানুহজনৰ প্ৰতি সেইদিনা পুনৰ এবাৰ শ্ৰদ্ধাৰে মোৰ দোঁ

খাই গৈছিল। যোৱা ১২ মে দিনা পুৱা তেওঁৰ মৃত্যুৰ খবৰ পাই মৰ্মাহত হৈছিলো। তেওঁৰ আৰ্শীবাদ মোৰ দৰে বহুতৰে বাবে এক আশীৰ্বাদ। যদিও তেওঁ আমাৰ মাজৰ পৰা কায়িকভাৱে গুচি গ'ল তেওঁ কিন্তু দি গ'ল জীৱন উদ্‌যাপনৰ সূত্ৰ। তেওঁ নিৰাশাৰ মাজতো দেখা পাইছিল আশাৰ ৰেঙনি। নিৰাশা, হতাশাত ভোগা প্ৰতিজন ব্যক্তিয়ে হোমেন বৰগোহাঞি ছাৰৰ এষাৰ কথা মনত ৰখা দৰকাৰ "জীৱনৰ তুচ্ছ কথাবোৰৰ বিষয়ে চিন্তা কৰি থাকি অসুখী হোৱাটো এটা অনুচিত কথা। মানুহে আনন্দ বিচৰা উচিত জীৱনৰ মাজত আৰু মানসিক সম্পৰ্কৰ মাজত"। ■■

---

# কথাশিল্পী হোমেন বৰগোহাঞিদেৱ আৰু কিছু অনুভৱ

**শ্বাশ্বতী প্ৰিয়দৰ্শিনী**
বোকাখাত

আজি অসমে কান্দিছে
কিন্তু, মৃত্যু যে চিৰসত্য!

হোমেন বৰগোহাঞিদেৱে কৈছিল- "মৰিবলৈ মই সমূলি ভয় নকৰো। এনে অসত্য আৰু অবাস্তৱ দাবী মই কেতিয়াও নকৰো। জীৱনটোক মই ইমান বেছি ভাল পাওঁ যে মৃত্যুৰ কথা মনলৈ আহিলেই মনটো বিষাদত ভাৰাক্ৰান্ত হৈ পৰে"।

এক সাংঘাটিক সন্মোহনী শক্তি আছিল তেখেতৰ কথা কোৱাৰ কলাত, যাৰবাবে অসমবাসীয়ে তেওঁক "কথাশিল্পী" ৰূপে অভিহিত কৰে। সাংবাদিকতাৰ পিতামহজনে সেই পঞ্চাশৰ দশকতে ৰামধেনু যুগত সাংবাদিকতা আৰম্ভ কৰিছিল। কি লিখা নাছিল তেওঁ... গল্প, কবিতা, উপন্যাস, আত্মজীৱনী। "কিতাপ পঢ়াৰ আনন্দ" আৰু "কাম কৰাৰ আনন্দৰ" মাজেৰে এক "সৰল জীৱন সুখী জীৱন" গঢ়ি তুলিবলৈ শিকাই থৈ গ'ল এইজনা মহীৰূহে। সঁচাই, "আজি অসমীয়া সাহিত্যজগতৰ এটা উজ্জল নক্ষত্ৰ খহি পৰিল"।

লেখক হিচাপে হোমেন বৰগোহাঞিদেৱ সফল। প্ৰতিজন অসমীয়াক "আত্মানুসন্ধান" কৰিবলৈ শিকোৱা এইজনা মহান মনীষী তেওঁৰ সৃষ্টিৰাজীৰ মাজেৰে জীয়াই থাকিব আমাৰ মাজত, অসমবাসীৰ হৃদয়ত।

যুগদ্ৰষ্টা সাহিত্যিকজন নিৰলে গ'লগৈ। যোৱাৰ আগে আগে অসমীয়া সাহিত্যৰাজিক অনন্তকাললৈ ঋদ্ধ কৰি থৈ গ'ল।

হে শব্দৰ সাগৰ, আপোনাক বিদায়! ■■

# অসমীয়া জাতিৰ অতন্দ্ৰ প্ৰহৰী
# সমাজৰ ভৱিষ্যত দ্ৰষ্টা গৰাকীলৈ গভীৰ শ্ৰদ্ধাৰে ...

**এন. তামনা সিংহ**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
চৰকাৰী আদৰ্শ মহাবিদ্যালয়, কাজিৰঙা

অসমীয়া সাহিত্য-সমাজ-সংস্কৃতিৰ একনিষ্ঠ সাধক, অসমীয়া জাতিৰ অতন্দ্ৰ প্ৰহৰী, সমাজৰ ভৱিষ্যত দ্ৰষ্টা, জাতীয় মনন আৰু চিন্তনৰ অফুৰন্ত ভাণ্ডাৰ, অক্লান্ত সমাজকৰ্মী ইত্যাদি হাজাৰ বিভূষণেৰে অন্ত কৰিব নোৱাৰা এগৰাকী স্বনামধন্য চিৰনমস্য ব্যক্তি হৈছে হোমেন বৰগোহাঞিদেৱ। এইগৰাকী সমাজপ্ৰাণ চিৰসমাজহিতৈষী চিন্তন আৰু মননৰ গৰাকীয়ে ওৰেটো জীৱন প্ৰজ্ঞাৰ সাধনাত আত্মনিয়োগ কৰিলে। মানুহে লেখন কলাৰ যোগেদি লিপিবদ্ধ কৰি থৈ যোৱা জ্ঞানৰ অনন্ত সাগৰৰ পৰা মাণিকবোৰ বুটলি অসম তথা বিশ্ববাসীৰ বুকুত তেওঁ অমৃতৰ বাণীৰ দৰে প্ৰচাৰ কৰি থৈ গ'ল। শয়নে-সপোনে মাথোন ইতিবাচক চিন্তা আৰু আৰু নিজ জীৱনত তাৰ প্ৰয়োগেৰে নিজৰ লগতে অসমৰ জাতীয় জীৱনক দান কৰি থৈ গ'ল অনন্ত অমৃতৰ বহুমূলীয়া ভাণ্ডাৰ। তেখেতে অসমৰ সমাজ জীৱনৰ কাৰো লগত প্ৰতিযোগিতাত ভাগ নলৈ নিজে নিজৰ সৈতে প্ৰতিযোগিতাত নামি পৰি ইটোতকৈ সিটো সমৃদ্ধিশালী সৃষ্টিৰে জ্ঞানৰ বিশাল ভাণ্ডাৰৰ বহুমূলীয়া চিৰশ্বাস্বত চিন্তা-প্ৰবাহ অসমীয়া সমাজ জীৱনলৈ এৰি থৈ গ'ল।

১৯৫৫ চনত প্ৰশাসনিক সেৱাৰ পৰীক্ষাত উত্তীৰ্ণ হৈ বৰগোহাঞিদেৱে মাজুলীত উপ-প্ৰতি সমাহৰ্তা হিচাপে কৰ্মজীৱন আৰম্ভ কৰিছিল। কিন্তু ১৯৬৮ চনত চৰকাৰী চাকৰি পৰিত্যাগ কৰে আৰু সাপ্তাহিক নীলাচল কাকতত সম্পাদক হিচাপে সাংবাদিক জীৱন আৰম্ভ কৰে। ইয়াৰ পাছৰে পৰাই কলমৰ আশ্ৰয়তেই স্পষ্টবাদী লিখন, কথনশৈলীৰে সমাজৰ স্বাৰ্থত অহৰহ অৱদান আগবঢ়ায়। লেখক হিচাপে বা মানুহ হিচাপে বৰগোহাঞিদেৱ এক অগতানুগতিক ব্যক্তিত্ব আৰু ব্যতিক্ৰমী চিন্তাৰ অধিকাৰী আছিল। তেখেতৰ ৰচনাই সকলোকে জীয়াই থাকিবলৈ আৰু জীৱনক নতুন দৃষ্টিৰে চাবলৈ অনুপ্ৰেৰণা দিছিল। গভীৰ জীৱন-জিজ্ঞাসা আৰু জীৱনবোধৰ শাশ্বত প্ৰতিভূ বৰগোহাঞিদেৱে কোনোদিনে দুৰ্নীতিৰ সৈতে আপোচ কৰা নাছিল। তেখেতে আপোচবিহীনভাৱে তীক্ষ্ণ কণ্ঠৰে অসমীয়া সমাজ জীৱনত উদ্ভৱ হোৱা বিভিন্ন সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক সমস্যামূহৰ বিষয়ে নিজৰ

স্পষ্ট স্থিতি প্ৰদান কৰিছিল। গভীৰ অন্তৰ্দৃষ্টিৰে সমাজখনক সৰ্বক্ষণ নিৰীক্ষণ কৰা বৰগোহাঞিদেৱে সত্য আৰু কৰণীয় হিচাপে জ্ঞান কৰা প্ৰতিটো কাম কৰি গৈছিল। তেখেতৰ জীৱনৰ আদৰ্শ তথা মূলমন্ত্ৰই আছিল কৰ্ম।

শেহতীয়াকৈ ক'ভিড-১৯ মহামাৰীৰ দ্বিতীয় ঢৌত আক্ৰান্ত হৈ তেওঁ চিকিৎসাধীন হয় আৰু ক'ভিড মুক্ত হোৱাৰ পাছতো ইয়াৰ পাৰ্শ্বক্ৰিয়াৰ বাবে যোৱা ১২ মে'ত দুৰ্ভাগ্যজনকভাৱে ৮৯ বছৰ বয়সত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। জীৱনৰ প্ৰায় অৰ্ধশতাধিক কাল অসমীয়া সাহিত্য তথা সংবাদ জগতৰ সেৱাতে নিমগ্ন হৈ থকা বৰগোহাঞিদেৱৰ মৃত্যু অসমীয়া জনজীৱনৰ বাবে এক অপূৰণীয় ক্ষতি। শেষত, তেখেতৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা অশ্ৰুসিক্ত গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ। ■■

## হোমেন বৰগোহাঞিদেৰলৈ কাজিৰঙা এনাৰ্জি ষ্টেচনৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ দুটি মুহূৰ্ত ...





# ‘কাজিৰঙা লাইভ’ৰ পৰিয়াল



ভৱানন্দ কলিতা
মুখ্য সম্পাদক



ৰঞ্জিত ৰজক
মুখ্য উপদেষ্টা



পলিমা বি. চেতিয়া
কাৰ্যবাহী সম্পাদক



ধ্রুৱজ্যোতি সাহা
পৰামৰ্শীয় সম্পাদক



বিতোপন মাঝি
সহঃ সম্পাদক



বিতোপন বৰা
মানৱ সম্পদ উন্নয়ন বিষয়া



চন্দন ধৰ
বাৰ্তা সম্পাদক



পৱন কামান
বাৰ্তা সম্পাদক



অনুজ বেলৱাৰ
বাৰ্তা সম্পাদক



অলকজ্যোতি শইকীয়া
বাৰ্তা সম্পাদক



চন্দন দত্ত
কাৰিকৰী সহায়ক



প্ৰিয়ম শইকীয়া
কাৰিকৰী সহায়ক